
# জ্ঞানম্

## দ্বিতীয় সংখ্যা

...R.D. College of Education
LIBRARY
Acc No:
Date:
...Kamrup Pin 781124



সম্পাদকদ্বয় ~

হিমাশ্ৰী কাশ্যপ

বিকাশ দাস

# JNANAM 2.0

K.R.D. College of Education
LIBRARY
Acc No:
Date:
Chhaygaon · Kamrup · Pin 781124

# উছৰ্গা



যিগৰাকী মহান ব্যক্তিৰ শৈক্ষিক চিন্তাধাৰা তথা ভূমিদানৰ ফলত কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়খন নিৰ্মাণ হৈ উঠিছিল, সেইগৰাকী মহান ব্যক্তি ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতিৰ চৰণত বি.এড. প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থীৰ প্ৰচেষ্টাত প্ৰকাশিত এই 'জ্ঞানম' (দ্বিতীয় খণ্ড) আলোচনীখন উছৰ্গা কৰা হ'ল।

# শুভেচ্ছা-বাণী

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক হাতে লিখা আলোচনী 'জ্ঞানম'ৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰিবলৈ লোৱা বুলি গম পাই নথৈ আনন্দিত হ'লো। সৰ্বপ্ৰথমে শিক্ষানুষ্ঠানৰ সকলো প্ৰশিক্ষাৰ্থীলৈ মোৰ আন্তৰিক শুভকামনা যাচিলোঁ। মহাবিদ্যালয়ৰ এইখন আলোচনীৰ জৰিয়তে প্ৰশিক্ষাৰ্থীসকলৰ লিখনি আৰু সুপ্ত প্ৰতিভা বিকাশত বিশেষ ভূমিকা পালন কৰিব। আলোচনীখন যিমানেই চিন্তা-গধুৰ, তথ্য-গধুৰ আৰু শিক্ষাকেন্দ্ৰিক লিখনি সন্নিবিষ্ট কৰিব, সিমানেই ইয়াৰ আকৰ্ষণ তথা সৌষ্ঠৱ বৃদ্ধি পাব। শিক্ষাই যিহেতু এখন দেশৰ উন্নতিৰ ৰাজহাঁড়স্বৰূপ, সেয়েহে শিক্ষাৰ যথাযথ প্ৰয়োগৰ ওপৰত এখন দেশৰ সুস্থিৰ আৰু সুৰক্ষিত ভৱিষ্যত নিৰ্ভৰ কৰে বুলি ক'ব পাৰি।

সৰ্বশেষত 'জ্ঞানম'ৰ সফলতা কামনা কৰি ইয়াৰ সম্পাদক, সম্পাদিকা প্ৰমুখ্যে 'জ্ঞানম'ৰ লগত জড়িত সকলো প্ৰশিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ শুভেচ্ছা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

(ড° অভিজিত দেৱ অধিকাৰী)
অধ্যক্ষ
কৃষ্ণৰাম দাস শিক্ষণ
মহাবিদ্যালয়, ছয়গাঁও

# শুভেচ্ছা-বাণী

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ সমূহ প্ৰশিক্ষাৰ্থীৰ প্ৰচেষ্টাৰ ফলত হাতেলিখা আলোচনী 'জ্ঞানম' আজি দ্বিতীয়বৰ্ষত সফল-ভাৱে পদাৰ্পন কৰিলে। এখন আলোচনী হৈছে শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভাৰ প্ৰকাশ। এই সুযোগৰ সদ্ব্যৱহাৰৰ ফলত বহুতো সৃষ্টিশীল আৰু সুন্দৰ লিখনিৰ প্ৰকাশ হৈছে আলোচনীখনত। আশা ৰাখিছো 'জ্ঞানম' একেই ধাৰাবাহিকতা ৰক্ষা কৰি আগুৱাই যাওঁক। শুভকামনাৰে —

ৰেখামণি ডাকুৱা
জ্যেষ্ঠা প্ৰৱক্তা
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

'জ্ঞানম' কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰকাশিত হাতে লিখা আলোচনীখনিয়ে এইবাৰ দ্বিতীয় বৰ্ষত ভৰি দিলে। 'জ্ঞানম'ৰ প্ৰতিটো পৃষ্ঠা শিক্ষাৰ্থীসকলৰ সৃষ্টিশীলতাৰে উজ্বলি উঠক। অনা-গত দিনতো এই ধাৰা অব্যাহত থাকিব বুলি আশা কৰিলো লগতে 'জ্ঞানম'ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। শুভকামনাৰে —

উমানন্দা বৰুৱা
জ্যেষ্ঠা প্ৰৱক্তা
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

## পৰিচালনা সমিতি :

মুখ্য উপদেষ্টা : ড° অভিজিত দেৱ অধিকাৰী, অধ্যক্ষ
ৰেখামণি ডাকুৱা, জ্যেষ্ঠ প্ৰৱক্তা

উপদেষ্টা মণ্ডলী : উমানন্দা বৰুৱা, জ্যেষ্ঠ প্ৰৱক্তা
ৰূপালী গোস্বামী, জ্যেষ্ঠ প্ৰৱক্তা
ৰফিকুল ইছলামৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকাবৃন্দ।

সম্পাদকদ্বয় : হিমাশ্ৰী কাশ্যপ, বি. এড. দ্বিতীয় বৰ্ষ
বিকাশ দাস, বি. এড. দ্বিতীয় বৰ্ষ

বেটুপাত : কংকনা তামুলী, বি. এড. দ্বিতীয় বৰ্ষ
ধ্ৰুৱজ্যোতি কলিতা, বি. এড. দ্বিতীয় বৰ্ষ

অলংকৰণ : কংকনা তামুলী, বি. এড. দ্বিতীয় বৰ্ষ
ধ্ৰুৱজ্যোতি কলিতা, বি. এড. দ্বিতীয় বৰ্ষ
বিকাশ দাস, বি. এড দ্বিতীয় বৰ্ষ
সৌৰভ কলিতা, বি. এড. দ্বিতীয় বৰ্ষ
পল্লৱী ৰাণী চৌধুৰী, বি. এড. প্ৰথম বৰ্ষ
লিজা আহমেদ, বি. এড. প্ৰথম বৰ্ষ
প্ৰজ্ঞাজ্যোতি ডেকা, বি. এড. প্ৰথম বৰ্ষ

অক্ষৰ-বিন্যাস : সৌৰভ কলিতা, বি. এড. দ্বিতীয় বৰ্ষ
মনীষা ভৰালী, বি. এড. দ্বিতীয় বৰ্ষ
লিজা আহমেদ, বি. এড. প্ৰথম বৰ্ষ
প্ৰজ্ঞাজ্যোতি ডেকা, বি. এড. প্ৰথম বৰ্ষ
ধিৰু দাস, বি. এড. প্ৰথম বৰ্ষ

সম্পাদনা সহযোগীসকল ঃ দীপজ্যোতি কলিতা, বি. এড. দ্বিতীয় বৰ্ষ

হিমাশ্ৰী মজুমদাৰ, বি. এড. দ্বিতীয় বৰ্ষ

সৌৰভ কলিতা, বি. এড. দ্বিতীয় বৰ্ষ

ধ্ৰুৱজ্যোতি কলিতা, বি. এড. দ্বিতীয় বৰ্ষ

বিপুল কলিতা, বি. এড. প্ৰথম বৰ্ষ

লিজা আহমেদ, বি. এড. প্ৰথম বৰ্ষ

প্ৰজ্ঞাজ্যোতি ডেকা, বি. এড. প্ৰথম বৰ্ষ

পল্লৱী ৰাণী চৌধুৰী, বি. এড. প্ৰথম বৰ্ষ

লগতে প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থীবৃন্দ।



# সম্পাদকীয়

জয়জয়তে সেইসকল মহান, জ্ঞানী তথা শিক্ষাক মনে-প্ৰাণে ভাল-পোৱা আদৰ্শবান সমাজ-সচেতন, মানৱ প্ৰেমী, শ্ৰদ্ধাভাজন ব্যক্তিসকললৈ আমাৰ অন্তৰৰপৰা কৃতজ্ঞতা জনাইছো। যিয়ে আমাৰ অতিকৈ স্নেহৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ বাবে জ্ঞান আহৰণৰ পথ সুগম কৰি থৈ গৈছে। কিয়নো জগতত জ্ঞানতকৈ পৱিত্ৰ বস্তু আন একো নাই।

সাহিত্য হৈছে মানৱ সংস্কৃতিৰ ধাৰক আৰু বাহক, ই মানুহৰ বিচিত্ৰ মনৰ বৈচিত্ৰ্যময় সৃষ্টিক সযতনে সংৰক্ষিত কৰি ৰাখে, সেইবাবে সাহিত্যক সমাজৰ দাপোণ বুলিও কোৱা হয়; কিয়নো কোনো এটা জাতি বা কোনো এখন সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দিশসমূহ সেই সময়ৰ সাহিত্য-ৰাজিৰ মাজত বিৰাজমান হৈ থাকে। আলোচনী এখনে মহাবিদ্যালয় এখনৰ বা সেই অঞ্চলৰ ইতিহাস, সভ্যতা, সংস্কৃতি, কলা-কৃষ্টি আৰু সৃষ্টিশীল-তাৰ প্ৰকাশ ঘটায়। তেনে এক উদ্দেশ্য আগত ৰাখিয়েই আমাৰ মহাবি-দ্যালয়ৰ হাতেলিখা আলোচনী 'জ্ঞানম'ৰ সৃষ্টি হৈছিল। এই ছেগতে 'জ্ঞানম' -খন সফল কৰি উলিওৱাতে যিসকল প্ৰশিক্ষাৰ্থীয়ে তেওঁলোকৰ বহুমূলীয়া লেখনি আগবঢ়াই আমাক কৃতাৰ্থ কৰিলে, তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত 'জ্ঞানম' প্ৰকাশৰ ক্ষেত্ৰত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পাঠকবৃন্দৰ আগত ক্ষমা বিচাৰিছো। আমাকবোঁ অনভিজ্ঞতাৰ বাবে হৈ যোৱা ত্ৰুটিসমূহ আঙুলিয়াই দি গঠনমূলক তথা ইতিবাচক দিহা-পৰামৰ্শ আগবঢ়াব।

"জয়তু কৃত্তিবাস দাস শিক্ষণ মহাবিদ্যালয়।"

বিকাশ দাস
হিমাক্ষী কাশ্যপ
সম্পাদকদ্বয়, সাহিত্য বিভাগ



# সূচীপত্ৰ

## কবিতাৰ শিতান ঃ


| | পৃষ্ঠা |
|---|---|
| • We Still Love Life<br>– Sourabh Kalita | ১-২ |
| • B.Ed - A Journey<br>– Bidyut Jyoti Sarmah | ৩ |
| • Far Like a Star<br>– Semim Nasrina Yesmin | ৪ |
| • Innovative Teaching<br>– Suhini Bhattacharjee | ৫ |
| • হাবিয়াস<br>– বিপুল কলিতা (সংগৃহীত) | ৬ |
| • তোৰ প্ৰেমত পৰিছো মই<br>– অমিত সিংহ | ৭-৮ |
| • জীৱনৰ মালিতা<br>– নিপামণি বড়ে | ৯ |

সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| • জাগ্ৰত অৱলা — ঋতুপৰ্ণা শইকীয়া | ১০ |
| • এজাক ভিক্ষুকৰ ছায়া — বেবী খনিকৰ | ১১ |
| • আইৰ কথাৰে......... — কেশৱানন্দ গগৈ | ১২ |
| • অনুভৱৰ সেই মুহূৰ্ত্তৰ — ৰূপক ৰাভা | ১৩-১৪ |
| • যৌৱনৰ আলাপ — দ্বীপজ্যোতি কলিতা | ১৫ |
| • কোৱালি হৈ নুফুলিবা তুমি — উদিত ভাস্কৰ বিশ্বাস | ১৬ |
| • ব্লাড বেংক — প্ৰজ্ঞাজ্যোতি ডেকা | ১৭ |
| • নয়ী উম্মীদ — কৰিশ্মা দাস | ১৮ |


## কথা-কবিতাৰ শিতান :


| | |
|---|---|
| • দোমোজা — ডলি মালি | ১৯ |
| • প্ৰেম কি ? — ভাগ্যশ্ৰী কলিতা | ২০ |

সূচীপত্ৰ পৃষ্ঠা


- आप राधा जैसे नहीं हो सकते.... — दीपिका देवी दास ২১-২২


# প্ৰবন্ধ-বিতান :


- দক্ষিণ কামৰূপৰ সুঁৱৰি উৎসৱ আৰু মালা দিয়া প্ৰথা — বিকাশ দাস ২৩-২৪
- সাম্প্ৰতিক প্ৰেক্ষাপটত শিক্ষা আৰু অভিভাৱকৰ ভূমিকা — কাবেৰী গোস্বামী ২৫-২৮
- জীৱনৰ ধুমুহা — ভাস্কৰজ্যোতি বৰ্মন ২৯-৩০
- বহিঃজগতৰ বুদ্ধিমান জীৱৰ সন্ধান — প্ৰীতিমণি কলিতা ৩১-৩৩
- নিপীড়িত জনতাৰ কণ্ঠ বিষ্ণুপ্ৰসাদ ৰাভা — পলাশজ্যোতি দাস ৩৪-৩৬
- শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা — শিল্পা ৰায় ৩৭-৩৮
- এজন ভাল শিক্ষক — ধ্ৰুৱজ্যোতি কলিতা ৩৯-৪০

## সূচীপত্ৰ

পৃষ্ঠা


- শিক্ষক দিৱস - এটি আভাস — ৪১-৪৩
  - ডেভিড মেধি
- Lessons from APJ Abdul Kalam For Students — ৪৪-৪৬
  - Sunam Saha
- Youth Power — ৪৭-৪৮
  - Monami Roy
- Elementary Education and Women In Assam : Challenges and Prospects — ৪৯-৫১
  - Bandana Mahanta
- The Mythical Origin Of Kamrupa — ৫২
  - Himashree Mazumdar


## গল্পৰ শিতান :


- সন্ধ্যাৰাগ — ৫৩-৫৪
  - হিমাশ্ৰী কাশ্যপ
- কেঁকুৰি — ৫৫-৫৬
  - লীজা আহমেদ

# সংগৃহীত তথ্যঃ

Some Amazing Science Facts ৫৭
— Pompi Choudhury

A few interesting Trivia About Education From Around The World ৫৮
— Karabi Gogoi

Remember This.... ৫৯
— Prerana Nath

ব্যঙ্গ বাণী ৬০
— ৰঞ্জিত সান্যাল

# কবিতাৰ শিতান

"উজাগৰ ৰাতি
সপোন দেখিছোঁ মই
ফুল- আলসুৱা তোমাৰ মুখৰ
শাইচ -সোণালী ছাঁহি।
অযুত তৰাৰ ঘুমটি ভাঙি যেন
সূৰ্য আহিছে নামি।"

~ হীৰেন ভট্টাচাৰ্য ।

— কবিতা হ'ল জীৱনৰ বৈচিত্ৰ্যময় আৰু জটিল সৃষ্টি। কবি হৃদয়ৰ ভাবানুভূতিৰ কল্পনাৰে মণ্ডিত, ভাষাৰ ছন্দ লহৰত অভিব্যক্ত কলাত্মক সৃষ্টি।


# We Still Love Life

In life's grand tapestry,
A struggle we find,
A journey of responsibilities
That are intertwined.
Through challenges faced,
We learn to endure,
With strength and determination
It is hope, that we ensure.



Responsibility's beacon,
Like stars in the night,
Guiding us forward, giving
Purpose and light.
Each burden we shoulder,
Each task that we bear,
Shapes who we are, with
Many lessons to spare.

Amidst the chaos, we forge
Our own way,
Embracing the struggle,
Come what may.
For within each trial, a chance
To grow strong,
To prove to ourselves, that
We truly belong!




So, let the struggle
Mold and refine, as
Responsibilities shape
This earthly design
With courage and effort,
We rise above,
A symphony of resilience
And unwavering love.

– Sourabh Kalita
B.Ed. 2nd year.

# B.Ed - A Journey

With books in hand and mind intent,
A boy set forth on a journey bent,
To learn the art of teaching well,
And ring the future's beckoning bell.
His days were filled with books and pens,
With hours of study, again and again,
Yet through the haze he persevered,
His focus sharp, his will unfeared.
He learned of theories and stratigies
Of methods to make knowledge breeze,
And practiced lessons day by day,
To see if he could lead the way.
He laughed with friends, and sometimes cried,
As moments came and moments died,
But always knew he had a goal,
To reach for heights and make them whale.
And now as he completes his quest,
B.Ed. degree in his chest,
He looks upon the future bright,
With confidence that he'll take flight.
For he has learned the art of teaching,
The power of knowledge far exceeding,
And knows that he can now be bald,
To shape the futures, yet untold.




– Bidyut Jyoti Sarmah
B.Ed, $2^{nd}$ year.

# Far Like A Star

You are the shining that
light up my darkness.
You're the rays of hope,
that vanish away all my sadness.
You're the colour of joy in
my black and white world.

Maybe my answer will reach
You in the afterlife.
As I stand facing the mirro of life,
The heart aching reason is
The Stars!

If rains could stop falling,
then why is it not same for eyes.
My eyes are tired of being teary
All the time;
My love now finds you the most
In your absence it seeks all paths.
I'm staring at that shiney star,
In your flow, you have gone so far.

Semim Nasrina Yesmin
B.Ed 1st year

# Innovative Teaching

Beyond the lecture hall,
Beyond the dusty tome,
Innovative teaching calls,
To ignite the mind's flame.
With hands on learning and minds ablaze,
Students explore and amaze.
From virtual labs to makerspaces grand,
New ways to learn, at every hand.

Project-based learning, where students lead,
To solve problems and make their mark indeed.
Collaboration and critical thinking skills,
Innovative teaching, where dreams take flight.

Teachers as facilitators, guides & mentors,
Nurturing curiosity, empowering learners.
With technology as a tool, not a crutch,
Innovative teaching, setting minds free to reach.

From the classroom to the real world wide,
Innovative teaching, knowledge applied.
To create a better future, bright & bold
With minds inspired, stories untold.



Suhini Bhattacharjee
B.Ed 1st year.


# হাবিয়াস

প্ৰবল ইচ্ছা জাগিছে আজি
মুক্ত হ'বলৈ,
উন্মাদ বিহংগ হৈ উৰি ঘুৰিবলৈ,
সমাজৰূপী পিঞ্জৰাৰ বন্ধনত
কটা যোৱা ডেউকা
আকৌ মেলিবলৈ।
ল'ৰালিৰ সেই চিনাকী আকাশখনেই
ভাল আছিলে হয়তোবা!
শুকুলা মেঘৰ মমতাৰ আঁচলখনত
উন্মুক্ত হৈ উৰিছিলো।
শুকুলা মেঘৰ সেই নীলা আকাশখনি
আজি সমাজৰূপী ক'লা ডাৱৰে আগুৰিছে।
জানোচা কেতিয়াবা ওলাব
ক'লা মেঘৰ আৱৰণ ফালি
তেজৰঙা বেলিটো!!!

বিপুল কলিতা (সংগৃহীত)
বি.এড প্ৰথম বৰ্ষ



# তোৰ প্ৰেমত পৰিছো মই



প্ৰেমত পৰিছো মই তোৰ
আঘোণৰ সোণগুটি ধাননিৰ
প্ৰেমত পৰিছো মই
তোৰ বুকু জীপাল কৰা
নদীখনৰ............
পাহাৰখনৰ, আলিবাটৰ
কেঁকুৰিটোৰ, বৰপুখুৰীটোৰ,
আঁহতজোপাৰ, বৰনামঘৰটোৰ ফুলখনৰ।

প্ৰেমত পৰিছো
তোৰ ফাগুনৰ পছোৱা,
বাৰিষাৰ বৰষুণ,
শীতৰ কুৱলী,
দুবৰিৰ আগৰ নিয়ৰ মুকুতা.........
শৰতৰ ভলসৰা শেৱালিৰ
ভঁৰাল উপচা ধান

গাঁও, ভালপাওঁ অ' তোক বহুত
ভালপাওঁ তোৰ চঞ্চলা গাভৰুৰ
লাহী কঁকালৰ ভাজ
হুলপীয়া ওঁঠৰ হাঁহি।
সিহঁতৰ দুভৰিৰ পৰশত
নাচি উঠ' তই
ভালপাওঁ তোৰ জীয়ৰী-বোৱাৰীৰ
সাকোৰ খিটি খিটি শব্দ
দূৰৈৰপৰা ভাঁহি অহা
ৰিণিকি ৰিণিকি চিফুঙৰ সুৰ

মই সাভাল হৈ যাওঁ
মেকলৰ চপৰত
বিহুৰ সুৰত............
মছজিদৰ আজান
নামঘৰৰ আয়াতিৰ নাম
বৰকাঁহ দবাৰ কোবত

তোৰ আয়তীৰ বিয়া নাম
বৰ শুৱনি
শুৱনি উৰুলি
ঢেকীৰ শব্দ
গৰুৰ হেম্বালনি

গাঁও অ' বৰ সোৱাদলগা
তোৰ কঁলী গাইৰ গাখীৰ
সোৱাদলগা তোৰ
পিঠা, লাৰু, সান্দহ, চিৰা



বৰ বেয়াকৈ প্ৰেমত পৰিছো
মই তোৰ
বহাগৰ বিহুৱানখন
কাতিৰ তুলসীজোপা
মাঘৰ মেজিঘৰ
তোৰ সেউজীয়া..........

হে মোৰ হৃদয়ৰ আপোন গাঁও
বৰ চেনেহৰ তোৰ খেতিয়কসকল
কমাৰ, কুমাৰসকল
বাঢৈসকল, মাছমৰীয়াসকল
বুজোঁ মই তোৰ প্ৰসৱ বেদনা

তই চিৰসেউজ হৈ থাক
জীপাল হৈ থাকক তোৰ বুকু........

অ' মোৰ আপোন গাঁও
মই প্ৰেমত পৰিছো তোৰ..........

~ অমিত সিংহ
বি. এড. দ্বিতীয় বৰ্ষ

## জীৱনৰ শলিতা



উৰুৱাই নিলে সোণৰ পঁজা আহি এজাক ধুমুহা,
ব্যস্ত পৃথিৱীত সহায় বিচাৰি হওঁ আত্মহাৰা,
মনৰ ভাব সকলোতকৈ বেগী,
কোনে জানে জীৱন পথৰ বিভূতি,
বেজাৰত নিগৰি আছে লোতক দুধাৰি,
সহায় বিচাৰি জাগৰে মোৰ কণ্ঠৰ ধ্বনি,
আশা নিৰাশা ভাৱৰ সম্বল
মনে কয় মাথোঁ আৰু এটি ক্ষণ,
জীৱৰ নিবিড় লীলা-খেলা
জিলিব লাগিব প্ৰকৃতিৰ মহাৰণ,
দীৰ্ঘ হুমুনিয়াহ কঁকালত গাঁঠি,
বহি পৰে সময়ৰ বিভূতি,
শান্তি বিচাৰি পৰে জাগৰি
গছৰ ছাঁত ক্ষন্তেক বিৰতি,
কাল ৰাতি অকলশৰে চিত্তৰ ফুটাৰে তৰা গণি,
হিয়া কঁপে জীৱন কালৰ ঘটনা ভাবি,
ৰবৰ্টচিলা জাকত-জিলিকা চূৰ্ণ-বিচূৰ্ণ কৰে খেলা,
জীৱনেই তাণ্ডৱ ৰচে পাতি হাস্যকৰ মেলা,
উচুপি কান্দে চাকনৈয়া,
উটি গ'ল সময়ৰ সীমা,
এন্ধাৰ ভেদি পোহৰে আৱৰে
জাগি উঠে নাৱৰীয়াবোৰে,
বঠাৰ তাল সাগৰৰ মাজত,
পাৰ লাগিব সীমান্তৰ পাৰত,
কঁকালত গামোচা সূৰত পাগুৰি,
ঘূৰ্ণী বতাহে ধৰিলে আগুৰি।
প্ৰবল প্ৰতাপী মন মোহিনী,
জীৱনে নিতৌ কান্দে উচুপি,
অক্ষয় অৱস্থাত কালজয়ী মায়া,
সবাকে প্ৰণিপাত বিদায় বেলা।

~ নিপামণি বড়ো
বি. এড. প্ৰথম বৰ্ষ

# জাগ্ৰত অৱলা

সৃষ্টিৰ আদিমতা বুটলি
এটি সন্তানৰ পম খেদি
সংগোপনে খোজ লয় এটি নিষ্পাপ ভ্ৰূণ
অন্ধকাৰময় জীৱনৰ দিশত ।

জীৱনৰ মেৰপাকত হাজাৰ আৰ্তনাদৰ বীজ বুটলি লয় অজানিতে,
যাৰ পৰিচয়ৰ প্ৰথম পংক্তি শোষিত, নিষ্পেষিত, নিৰ্যাতিতা হিচাপে
সেই উত্তাপিত ভ্ৰূণ নাৰী হিচাপে,
সমাজৰ দাবানলৰ পাকচক্ৰত, সামৰে মাথোঁ উষ্ণ কেনভাচৰ নিহালী
জাহ যায় নিন্দিত অৱলাৰ অযুত সন্তানৰ চালেকি,
দুচকুৰে বৃষ্টি ঢালিলেও
নিৰ্বাপিত নহয় শোষিত অগ্নি,
কলংকিত হয় সেই নিষ্পাপ ভ্ৰূণ
হোমৰ ভেজাল অগ্নিত ।

গৰ্হিত সমাজৰ অতৃপ্ত বাসনাৰ পূৰণৰ স্বাৰ্থত
পণ্যত পৰিণত হয় সেই নাৰী
সময়ৰ গৰাহত দাহিতে হোৱা অদম্য স্বপ্নৰ আঁত ধৰি,
জাগ্ৰত তাহানিৰ সেই শোষিত শক্তি ।
এক নতুন ৰূপত ।

যি শক্তি উন্মুক্ত শিখাত
নিৰ্বাপিত হাজাৰ সামাজিক ব্যাধি,
পৰিসীমিত হাজাৰ বাল্য বিবাহৰ চালেকি ।




~ ঋতুপৰ্ণা শইকীয়া
বি. এড. প্ৰথম বৰ্ষ

# এজাক ভিক্ষুকৰ ছায়া

ফুটপাথৰ দাঁতিত বেদনাৰে সিক্ত
সি এটি হুমুনিয়াহৰ প্ৰতীক,
ডাষ্টবিনৰ এটুকুৰা
ভেজাল পাওৰুটি,
মুখত জ্বলি উঠে মিচিকি হাঁহি।

জীৱন যাতনা, আকুলতা
তাৰ বাবে চিনাকি
যদিও অচিনাকি
মইও বিচাৰো তাৰ যাতনাক
পৰিচয় দিবলৈ
এমুঠি সুখৰ টোপোলা যাঁচিবলৈ
কিন্তু বিফল।
দায়ী কৰিব খোজা নাই মই
অন্যথা কৰিবও নোখোজো,
সময় পল অনুপল
এই কিম্বাকাৰ ৰূপবোৰৰ
আঁৰত আচলতে কি আছে ?

অতীত, বৰ্তমানক নেওচি দি
হাজাৰ বছৰৰ বাট বুলিলি
সিও যে এটি দোষমুক্ত প্ৰাণী
পৰিচয় দিব বিচাৰো কেৱল
সি, সিহঁতৰ নিচিনা
ফুটপাথৰ আঁৰৰ সিহঁতবিলাকক
কাতৰি কাতৰি মাটিত ঢুঁচৰি ফুৰা
সিহঁতবোৰৰ মুক্তিৰ পথ
আচলতে কি ?



ব্যথা বেদনা জটিলতাৰ
অন্যতম ভুক্তভোগী সিহঁত
পৃথিৱীৰ গৰ্ভত.......
মাটি-বালি একাকাৰ কৰা
ফুটপাথৰ আঁৰৰ ভিক্ষুক ছায়াৰে
প্ৰতীক প্ৰকৃততে কোন ?
মাথোঁ প্ৰয়োজন
এখন্তেক সুখ, এখন্তেক বিশ্ৰাম।

ৰেবী খনিকৰ
বি.এড. দ্বিতীয় বৰ্ষ

# আইৰ কথাৰে........

আইয়ে কয়
দূৰতে থাক,
গোটাইছো ধন
গঢ় দিম সম্পদ
সন্তানৰ এটি বাট,

বলধহাল বুঢ়া হ'ল
উদং পথাৰ
দেউতাৰ মন
জেঠ মাহত ফুলা আজাৰ

নিৰাকাৰৰ আশীষ
পৰম আশ্বাস
তই এটি আশা
জীৱন জীয়াৰ সাহ ।

বৰ মানুহ হবি
গাঁৱলে চিনিবি
নাযাবি পাহৰি কণাৰ লাখুটি
আপোনক ভাসিবি
অকালৰ বেলা
নাথিবি এতিয়া তই
দূৰতে থাক

বিহুতে আহিবি যে
উল্লাসৰ সময়
গীত-মাত-তালে
নাচিম এপাক
দেহৰ বিষ দেহাতে মৰিব
দেউতাৰ কেটেৰা মাত ।

ভাল দিন আহিব
ৰাতিৰ পিছতেই
শোনাও যে বৰ মানুহ হ'ব
সমাজৰ ভাত মান
তেতিয়াই আতৰিব ।



~ কেশ্বৰানন্দ গগৈ
বি.এড. প্ৰথম বৰ্ষ

# অনুভৱ সেই মুহূৰ্ত্তৰ

মই জানিব খোজো,
আছিলনে সাক্ষী কোনোবা শক্তি
সেই বিগ বেংগৰ সময়তে,
যদি সাক্ষী হিচাপে
আছিল কোনোবা
মই জানিব খোজো
সেই অনুভৱ আছিলনো কেনেকুৱা,
অনুভৱ কৰিবলৈ সেই সৃষ্টি নামা।

মই চাবলৈ খোজো,
এই বিশ্ব ব্ৰহ্মাণ্ডৰ
নিৰ্জীৱ বস্তুৰ পৰা
প্ৰাণ পাই সেই প্ৰথম
এককোষী জীৱটোৱে
লৰচৰ কৰিছিল কেনেকৈ




মই বুজিব খোজো,
জুইৰ আৱিষ্কাৰৰ মুহূৰ্ত
আৱিষ্কাৰক জনে কৰা
সেই অনুভৱে
আছিলনো কেনেকুৱা,
তেওঁৰ মনত স্ফূৰ্তি আছিল
নে আছিল বিস্ময়ত।

মই চাবলৈ লোভো,
মানৱ ইতিহাসৰ
প্ৰথমটি ৰণ,
কিমানজনে লৈছিল মৃত্যুক আকোৱালি
জানিব লোভো
সেই প্ৰথমটি ৰণৰ কাৰণ।

মই চাবলৈ লোভো,
দেউতাক শৈশৱ কালত
নদী পাৰ হৈ স্কুললৈ যোৱা,
চাবলৈ লোভো
মায়ে কেনেদৰে ঘৰত
অকলে সময় কটাইছিল
যি সময় আমি স্কুলত কটাইছিলো।

মই চাবলৈ লোভো,
যিদিনা মই এই পৃথিৱীত আহি
মাৰ কোলাত আছিলো টোপনি গৈ
সচাকৈ মা দেউতাৰ চকুত
আছিলনে সুখৰ চকুপানী।




ৰূপক ৰাভা
বি.এড প্ৰশিক্ষাৰ্থী, প্ৰথম বৰ্ষ
শাখা → 'ক'
ৰোল নং → ৩২

# মৌনতাৰ আলাপ

ফাগুন বলিছে নেকি!
ইমান ৰুদ্ৰ কিয়?

বকুলৰ তলিত
মৌনতাৰ মালা পিন্ধি
নিজস্বতাৰ নাই আহৰি
বহুত যে অভিমান।

মৌনতাৰ পদবীত
লাগে আৰু কি?

বাট চাইছো বাট ৰৈছো
বাস্তৱৰ দিশে এখোজ কাঢ়ি

সপোন চকুৰৰ দাপোণত
মুখাৰ আঁৰৰ মুখ বিচাৰি

স্বাৰ্থৰ জখলা আঁৰি
আগুৱাই যাওঁ আহ
হাতে হাত ধৰি।



~দ্বীপজ্যোতি কলিতা
বি.এড. দ্বিতীয় বৰ্ষ

# শেৱালি হৈ নুফুলিবা তুমি


শেৱালি হৈ নুফুলিবা তুমি,
শৰতৰ সেই নিজান ৰাতি
আমনি কৰিব পাৰে তোমাক
মোৰ প্ৰেমৰ ৰাগিনীয়ে।
মোৰ প্ৰেমৰ সুবাসত
উঠিব পাৰে তোমাৰ বুকুত
অজুত ভালপোৱাৰ সোণোৱালী ঢৌ
কঁপি উঠিব তোমাৰ গাভৰু বুকুখন
যদি তুমি শেৱালি হৈ ফুলা
শৰতৰ সেই নিজান ৰাতি
শুনিবা তুমি মোৰ মৰমৰ প্ৰতিধ্বনি।

~ উদিত ভাস্কৰ বিশ্বাস
বি.এড. প্ৰথম বৰ্ষ



# ব্লাড বেংক

ব্লাড বেংক
এটি আমাৰ নাম
নাই জাত-পাত
কোনো ভেদ ভাৱ
নাই কোনো উচ্চ নীচ
এটি মাথো নাম ।
ব্লাড বেংক
ইয়াত কোনো ধৰ্ম নাই-
নাই কোনো জাতি
ধনী দুখীয়া, উচ্চ নীচ
সকলোৰে ভৰষা,
ব্লাড বেংক ।
মুমুৰ্ষ জনক দিয়ে প্ৰাণৰ সঞ্চাৰ
ঢালে সঞ্জিৱনী ৰস
এয়াই যে অমৃত ব্লাড বেংক
কাৰো মাতৃ, কাৰো পিতৃ,
কাৰো ভনী, কাৰো ভাই
সংকট মোচন কৰি
দিয়ে তাত প্ৰাণৰ সঞ্চাৰ
সেয়ে ব্লাড বেংক ।
কাৰো বাবে আল্লা
কাৰো বাবে হেৰা ভগৱান
এটি মাথো নাম ব্লাড বেংক
প্ৰণামো তোমাক ।



প্ৰজ্ঞাজ্যোতি ডেকা
বি.এড প্ৰথম বৰ্ষ

# नयी उम्मीद

एक ही आसमान, एक ही जमीन।
एक ही धर्म, एक ही ईश्वर।
फिर ये आपस में भेद-भाव किसलिए?
किस काम के लिए चारों तरफ
होड़ा-होड़ी।
बस, एक 'नाम' पाने के लिए होड़ा-होड़ी।
अगर, मन में सभी के लिए
समान भाव की अभाव हैं,
तो इस नाम क्या काम?
जिसके दम पर तुम अपना इंसानियत ही खो दी।
यह समय, दूसरों की अधिकार को
हड़प ने का समय नहीं है।
अब यह दौर है,
जहाँ, अपनापन रखकर
आगे बढ़ों, नाम कमाओं।
तभी, सहीं मायने में मनुष्य कह पाओंगे।
तुम, वह पीढ़ी बनो,
जिसमें, 'मैं' से ज्यादा 'हम' भाव हो।



~ करिश्मा दास
बि.एड. द्वितीय वर्ष

# কথা-কবিতাৰ শিতান

"কথা-কবিতাৰ প্ৰাথমিক উদ্দেশ্য চিত্ৰ,
ইয়াত ধ্বনি ভাষাৰ ব্যঞ্জনা মাথোন।
ছন্দোময়ী কবিতাৰ প্ৰধান লক্ষ্য গীত
বা শ্ৰাব্য বিষয়ক মূৰ্ত্ত কৰি তোলাটো।
কথা-কবিতাৰ লক্ষ্য ৰূপ বা দৃশ্যবস্তুত
সজীৱতা আৰোপ কৰা।"

# দোমোজা

শান্তিৰে চলি থকা জীৱনটোত হঠাৎ দোমোজা লাগে, হয়তো ই চিঞৰি চিঞৰি ক'ব বিচাৰে যে " আমিবোৰ ডাঙৰ হ'লো " আমাৰ সমস্যা বোৰো ডাঙৰ হৈ প'ল । কেতিয়াবা ভাবো " সৰু থাকোঁতেই ভাল আছিল" না পঢ়াৰ চিন্তা, না কাৰোবাক সুখী কৰাৰ চিন্তা আৰু না কাৰোবাক পোৱাৰ হাবিয়াস, কিন্তু এতিয়া দেখোন চাৰিওফালেই দোমোজাই দেখা দিছে ।

সকলোবোৰ ঠিক কৰিবলৈ যাওঁতে, সকলোবোৰ ওলট-পালট হৈ যায় ।

"হয়তো আমি ব্যক্তিগত হৈ পৰাটোৱেই ভুল, নিজৰ বাবে ভাবিবলৈ লোৱাটোৱেই ভুল ।"

কিন্তু ইমানবোৰ প্ৰশ্নৰ মাজতো বেৰৰ ফুটাৰে সূৰ্যৰ পোহৰ সৰকি অহা দি মনটোত এটা আশাৰ ৰেঙণী সৰকি পৰে, দোমোজাবোৰ যে বৰ প্ৰিয়, কেতিয়াবা দোমোজাত পৰিব লাগে, পৰি ভাল লাগে ।

যেতিয়া সমস্ত আন্ধাৰ ফালি পোহৰ দেখা পাওঁ, তেতিয়া পুনৰ বিশ্বাস জাগি উঠে যেই নেদেখাজনলৈ, তেওঁ যে সকলোতে আছে ।

অনুভৱ কৰোঁ এই দোমোজাবোৰে মইজনীক শক্তিশালী কৰি থৈ প'ল, গৰ্ব হয় নিজৰ ওপৰত মই পলাই নগৈ দোমোজাবোৰ ভাঙিবলৈ চেষ্টা কৰিলো...।

বিশ্বাস ৰাখক, নেদেখাজনে যি কৰে আমাৰ ভালৰ বাবেই কৰে ।

আপোনাৰ দোমোজাবোৰো অতি সোনকালেই ভাঙিব । মাথো হাৰি নাযাব !

শ্ৰী ডলি মালি
বি.এড. প্ৰথম বৰ্ষ

# প্ৰেম কি ?

প্ৰেম কি ? ভালপোৱা মানেই প্ৰেম নে ?
প্ৰেম, প্ৰেম হ'ল ওজাগৰী ৰজনীৰ বৰদৈচিলা, জীৱনৰ সৃষ্টি, নতুন নতুন
দৰ্শনৰ সৃষ্টি, প্ৰেম মানেই নয়নৰ তৃপ্তি, হৃদয়ৰ চাহিদা নেকি ?

প্ৰেম কি ? ভালপোৱা মানেই প্ৰেম নে ?
প্ৰেম, প্ৰেম মানেতো সাগৰ, নহয় নহয় মহাসাগৰ ।
সীমা-পাৰহীন গভীৰতা, যাৰ দৃষ্টি দেৰে কলিজা জুৰাই,
পলকতে ৰণচণ্ডী সুনামীয়ে তচনচ কৰে প্ৰতিটো সপোন । এয়াই নেকি ?

প্ৰেম কি ? ভালপোৱা মানেই প্ৰেম নে ?
প্ৰেম, প্ৰেম মানেতো বিশাল অম্বৰ, হয় সঁচাই বিশাল ।
যাৰ নীলা ৰং আৰু সৰকাল সন্ধিয়াৰ নক্ষত্ৰই চিত্ত পৰিপূৰ্ণ,
কৃষ্ণ ডাৱৰে আবৰিত গগনৰ পৰা বহিমান ধুমুহা,
প্ৰবল বৃষ্টি, বিজুলী-ঢেৰেকনিৰ ভয়াবহতা,
ধ্বংস কৰে ওলাই অহা ন-কুঁহিপাত । এয়াই প্ৰেম নেকি ?

প্ৰেম কি ? ভালপোৱা মানেই প্ৰেম নে ?
প্ৰেম, প্ৰেম মানেতো বিশাল পাহাৰ, হিমালয়ৰ দৰে
যাৰ শুভ্ৰ বুকুত যোৰকৈ সাৱটি শুব মন যায়,
কিন্তু এই প্ৰেম ইমান সুবিশাল যাৰ ওচৰত গৈ মই ....
মই যে একেলগে সম্পূৰ্ণ দেখিবলৈয়ে নেপাওঁ,
যাৰ তলত চালে শিৰ দেখা নেপাওঁ,
বাওঁফাল চালে সোঁফাল দেখা নেপাওঁ,
হঠাৎ .... হঠাৎ হীমবাহ স্খলন, ভয়ানক আৰু ভয়ানক ?



প্ৰেম কি ? ভালপোৱা মানেই প্ৰেম নে ?
প্ৰেম, প্ৰেম মানেই উষ্ণ মৰুভূমি !
য'ত প্ৰতিটো খোজত আতংক ।
যাৰ সৃষ্ট মৰিচিকাত হেৰাই দিশভ্ৰষ্ট মই ;
প্ৰেম এয়াই, নহয় চাগে, নহয় নহয় এয়াই প্ৰেম ।
প্ৰেম কি ? ভালপোৱা মানেই প্ৰেম নে ??

ভাগ্যশ্ৰী কলিতা
বি.এড. প্ৰথম বৰ্ষ

# आप राधा जैसे नहीं हो सकते.....

: आप कभी राधा जैसे नहीं हो सकते।

: मैं कभी भी राधा जैसा नहीं बनना चाहती थी।

: तुम्हारा हृदय शुद्ध नहीं है।

: कम से कम मेरे दिल का विश्लेषण तो नहीं करोगे.

: तुम कभी मेरी हो नहीं सकती.

: तुम मुझे अपना नहीं बनाना चाहते.

: तलाश कभी प्यार नहीं होती.

: आप एक प्रेम विश्लेषक बनना चाहते हैं ?

: मैं कृष्ण जैसा बनना चाहता हूं।

: तुम अहंकारी कैसे हो सकते हो कृष्ण ?

: मैं अहंकारी नहीं हूं. मैं बस अपने अंदर जो कुछ भी पाता हूँ उसका अधिकतम लाभ उठाना चाहता हूँ।

: आप कहते हैं कि आप भगवान जैसा बनना चाहते हैं। क्या यह अहंकार नहीं है ?

: मैं कृष्ण जैसा बनना चाहता हूं, लेकिन मैंने यह नहीं कहा कि मैं कृष्ण बनना चाहता हूं।

: आप एक अनसुलझा रहस्य हैं।

: आप समझने की कोशिश नहीं कर रहे हैं.

: मुझमें आपको समझने की हिम्मत नहीं है.

: आप सादगी का मूल्य नहीं जानते।

: आपके यहाँ प्यार की परिभाषाओं की कोई कमी नहीं है।

: मेरे जैसा कोई प्रेमी नहीं.

: तुम्हें खोने का डर मुझे रुलाता है।

: आप प्यार में नहीं हैं, आप प्यार में हैं।

: आप प्यार में खोने से क्या नहीं डरते?
: नहीं, मैं नहीं करता. प्यार में सिर्फ प्यार ही प्यार है।
: क्या होगा अगर वो प्रेमी चले गए?
: प्रेम स्वतंत्र है, प्रेम शाश्वत नहीं है।
: क्या आप हारकर खुश हो सकते हैं?
: मैं उस पल की कल्पना नहीं करना चाहता.
: तुम भी कमजोर हो. आप इसे दिखाना ही नहीं चाहते.

"बताओ मैं कमजोर कैसे नहीं, राधा के वियोग में कृष्ण भी रोए थे।"

~ दीपिका देवी दास
बि. एड. द्वितीय वर्ष



# প্ৰবন্ধৰ শিতান

অন্যান্য সাহিত্যৰ দৰে প্ৰবন্ধৰ উদ্দেশ্যেও পঢ়ুৱৈৰ মনত সৌন্দৰ্যৰ সৃষ্টি কৰি আনন্দ দান কৰা। ই পঢ়ুৱৈৰ বুদ্ধি তীক্ষ্ণতৰ, দৃষ্টি প্ৰখৰতৰ আৰু জ্ঞানৰ পৰিধি প্ৰশস্ততৰ কৰি তোলে।

# দক্ষিণ কামৰূপৰ সুঁৱৰি উৎসৱ আৰু মালা দিয়া প্ৰথা

সংস্কৃতিৰ অন্যতম এক উপাদান হৈছে উৎসৱ-অনুষ্ঠান। উৎসৱ-অনুষ্ঠানে একোটা জাতিৰ জাতীয় জীৱনৰ পৰিচয় বহন কৰে। দক্ষিণ কামৰূপ অঞ্চলটোত বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-পাৰ্বণ পালন কৰা দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত অন্যতম এক আড়ম্বৰীৰ ঐতিহ্যমণ্ডিত এদিনীয়া বসন্তোৎসৱ হৈছে 'সৱি' বা 'সুঁৱৰি' উৎসৱ। এই উৎসৱৰ সবাতোকৈ উল্লেখ-যোগ্য আকৰ্ষণ হ'ল দধি মথন ভাওনাৰ অভিনয়। সেইবাবে এই উৎসৱৰ আন এক জনপ্ৰচলিত নাম দধি মথন। এই উৎসৱৰ জৰিয়তে জনসাধাৰণে শিশু কৃষ্ণৰ বাবে নন্দজায়া যশোদাৰ দধিমথন, কানাইৰ চাতুৰী প্ৰভৃতি স্মৰণ কৰাৰ সুযোগ পোৱাৰ বাবে ইয়াৰ নাম 'সুঁৱৰি'।

আৰম্ভণিৰ সময়ছোৱাত এই উৎসৱ পলাশবাৰী, ৰামপুৰ, খাটিয়াপাৰী, নাহিৰা, ছয়গাঁও, গুইমাৰা, পাক্লী, বৰদুৱাৰ, আজাৰা, বৰ হেৰামদ, শিকাৰহাটী আদিকে ধৰি মাত্ৰ কেইখনমান ঠাইতে পালন কৰা হৈছিলযদিও বৰ্তমানে তাৰ ব্যাপকতা চকুত পৰে।

সাধাৰণতে এই উৎসৱ গাঁৱৰ নামঘৰত অনুষ্ঠিত হয় যদিও সুবিধা নথকা ঠাইবোৰত মুকলি পথাৰতেই সাময়িকভাৱে বাঁহৰ চাত পুতি ৰভা দি ইয়াৰ আয়োজন কৰা হয়। ওচৰৰ নামঘৰ সমূহৰ বিগ্ৰহসমূহ আসনৰে সৈতে আনি সুঁৱৰি-থলীত পূৱ দিশত এটা শাৰীত স্থাপন কৰা হয়। তাত উপস্থিত ভক্তপ্ৰাণ ৰাইজে ফুলৰ মালা আৰু পইচ বিগ্ৰহলৈ আগবঢ়াই দি সেৱা জনায়। আনহাতে সুঁৱৰি থলীত চাৰিটা কলৰ পুলিৰ মাজত কলৰ মোনাৰে সজা বেদীৰে দধি মথন মণ্ডপ সজা হয়। বেদীত সংস্থাপিত কৰা হয় পাঁচডাল জাকজমকপূৰ্ণ মথনিমাৰি। মাৰিকেইডাল ভালদৰে ঘূৰিবলৈ তাৰ তলত থাকে মাটিৰ টেকেলি একোটা। আবেলি সময়ত আৰম্ভ হয় দধিমথন ভাওনা। এই ভাওনাৰ মুখ্য চৰিত্ৰসমূহ হৈছে শিশু কৃষ্ণ, বলোৰাম, নন্দ, যশোদা আৰু গোৱালিনীসকল। এই উৎসৱৰ লগে লগেই ৰভাৰ তলত বিশেষভাৱে সংৰক্ষিত আসনত বহে কৃষ্ণ-বলোৰামৰ উপৰি কৰগোপাল, নাৰদ আদিৰ ভাওত কেইজনমান লৰা। এওঁলোকক ধৰ্মপ্ৰাণ

লোকে বিভিন্ন সামগ্ৰী, টকা-পইচা আদি আগবঢ়াই সেৱা জনায়। এনেদৰেই বিভিন্ন লোকবিশ্বাসৰ মাজেৰেই এই উৎসৱ পালন কৰি অহা হৈছে।

সুঁৱৰি উৎসৱৰ লগতেই জড়িত এক প্ৰথা হৈছে 'মালা দিয়া প্ৰথা'। দক্ষিণ কামৰূপৰ এখন আগশাৰীৰ লেখত লবলগীয়া গাঁও হ'ল খাটিয়ামাৰী। গুৰু দামোদৰদেৱৰ সত্ৰ থকা বাবে দামোদৰদেৱৰ তিথিৰ দিনা এই গাঁৱত সুঁৱৰি উৎসৱ পালন কৰা হয়। দক্ষিণ কামৰূপত প্ৰচলিত এই উৎসৱৰ নাম মালা দিয়া সৰি। এই সুঁৱৰি উৎসৱলৈ আহি কোনোবা ডেকা-গাভৰুৰ যদি মনৰ মিল হয় তেনেহ'লে এই উৎসৱস্থলীতে গোঁসাইৰ সন্মুখত সেৱা লৈ দুয়োকে মালা পিন্ধাই বিয়া কৰাই দিয়া হয়। দক্ষিণ কামৰূপৰ 'মালা দিয়া প্ৰথা' খাটিয়ামাৰীৰ উপৰি আন বিভিন্ন ঠাইত প্ৰচলিত আছিল যদিও বৰ্তমান শিথিল সমাজ ব্যৱস্থা আৰু আইন ব্যৱস্থা আদিৰ বাবে এই প্ৰথা লোপহোৱা হৈ পৰিল। যাহওঁক দক্ষিণ কামৰূপ বুলি ক'লে সুঁৱৰি উৎসৱৰ ঐতিহ্য আৰু মাদকতা আদিৰে পৰা চিৰপ্ৰবাহমান হৈ আগুৰাই গৈছে।

~ বিকাশ দাস
বি.এড. দ্বিতীয় বৰ্ষ



# সাম্প্ৰতিক প্ৰেক্ষাপটত শিক্ষা আৰু অভিভাৱকৰ ভূমিকা

আধুনিক সভ্যতাই পৃথিৱীৰ বুকুত সৃষ্টি কৰিছে এক বিৰাট সংঘাত। এই সংঘাত সুস্থ জীৱন-যাপনৰ বাবে দুবেলা দুমুঠি সুখেৰে, স্বচ্ছন্দে খাই বৈ জীয়াই থকাৰ সংঘাত। এনে সংঘাতময় সময়ৰ প্ৰত্যাহ্বান লৈওঁচ এটি শিশুৱে যাতে সাফল্যমণ্ডিত জীৱন লাভ কৰিব পাৰে সেই ক্ষেত্ৰত সমাজ তথা পৰিয়ালৰ যথেষ্ট কৰণীয় আছে।

অতিকায়শ্ৰেষ্ঠ বিজ্ঞানীসকলৰ অন্যতম থমাছ আলভা এডিচন ছাত্ৰৱস্থাত ইমান মেধাৱী নাছিল। এডিচনৰ শৈক্ষিক অগ্ৰগতি ইমানেই বেয়া আছিল যে এদিন তেওঁ অধ্যয়ন কৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকে এই বিষয়ে জনাই এডিচনৰ মাকলৈ এখন অভিযোগ পত্ৰ লিখিলে। মাকে চিঠিখন পঢ়ি যথেষ্ট গম্ভীৰ হোৱা যেন দেখি এডিচনে মাকক চিঠিখনত কি লিখা সুধিলে। মাকে এডিচনলৈ চাই মিচিকিয়াই হাঁহি উত্তৰ দিলে যে চিঠিখনত বিদ্যালয়ৰ প্ৰধান শিক্ষকে তেওঁক জনাইছে যে এডিচনৰ শৈক্ষিক অগ্ৰগতি দেখি তেওঁলোক আপ্লুত হৈছে আৰু বিদ্যালয়ত এডিচনক উপযুক্ত ভাৱে শিক্ষাদান কৰিবলৈ শিক্ষকৰ অভাৱ হৈছে। সেইঘটনাৰ বহুবছৰৰ পিছৰ কথা (ইতিপূৰ্বে এডিচনৰ মাকৰ মৃত্যু হৈছে)। এডিচনে তেওঁৰ গৱেষণাগাৰৰ কামত ব্যস্ত থকাৰ কোনো এক মুহূৰ্তত এখন কিতাপৰ মাজত এখন বহু পুৰণি কাগজ দেখা পালে। মেলকৈ চাই দেখে যে সেইয়া তেওঁৰ ছাত্ৰৱস্থাত বিদ্যালয় প্ৰধানে মাকলৈ দিয়া পত্ৰখন।

ৰিৰা এক অজান উৎসাহত তেওঁ চিঠিখন খুলি পঢ়িবলৈ আৰম্ভ কৰিলে। চিঠিখনত লিখা আছিল – আপোনাৰ পুত্ৰ থমাছ এটা মুৰ্খ। স্কুলত শিকোৱা একোটা কথা বহুবাৰ বুজালেও সি নুবুজে। আপোনাৰ পুত্ৰৰ শিক্ষকে আৰু ভৱিষ্যতক লৈ বিদ্যালয় কৰ্তৃপক্ষ যথেষ্ট উদ্বিগ্ন। পাৰিলে আপুনি তাক লৈ যাওঁক। চিঠিখন পঢ়ি এডিচনৰ মনত এটাই ভাৱ খেলা দি গ'ল সঁচাই এগৰাকী মাতৃয়ে তেওঁৰ মূৰ্খপুত্ৰক এজন নামজ্বলা বিজ্ঞানী হিচাপে গঢ়ি থৈ গ'ল।

বিশ্ববিখ্যাত এডিচনৰ জীৱনৰ এই সত্যঘটনাই প্ৰতিফলিত কৰে এজন ছাত্ৰক উপযুক্ত ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত অভিভাৱক সকলৰ অপৰিসীম ভূমিকা।



এডিচনৰ মাতৃয়ে ইচ্ছা কৰা হ'লে এডিচনক গালি-শপনি পাৰিব পাৰিলেহেঁতেন। কিন্তু তেনে নকৰি তেওঁ নিজ পুত্ৰৰ ওপৰত গভীৰ আস্থা দেখুৱালে। প্ৰথম কথা এটি শিশুৱে মাক-দেউতাকৰ পৰা অনুপ্ৰেৰণা লাভ কৰে, যিয়ে তেওঁলোকৰ মনত আত্মবিশ্বাসৰ ভেৰ দৃঢ় কৰে। এটি শিশুৰ অন্তৰ্নিহিত প্ৰতিভা, ৰুচি-অভিৰুচি আদিৰ উমান পাই পিতৃ-মাতৃ তথা অভিভাৱকসকলে। তেনেক্ষেত্ৰত ছাত্ৰ ছাত্ৰী সকলৰ শৈক্ষিক ভৱিষ্যতৰ গতি-প্ৰকৃতি নিৰূপনত অভিভাৱকসকলৰ মাৰ্গ দৰ্শন বিশেষভাৱে গুৰুত্বপূৰ্ণ।

শিশুৰ মনত নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, ডাঙৰৰ প্ৰতি সন্মান প্ৰদৰ্শন, চিন্তা কৰাৰ ক্ষমতা আদি গুণৰাজি সৰুৰে পৰাই গঢ় দিয়াত পিতৃ-মাতৃয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু বহুসময়ত দেখা যায় যে এনে বহু পিতৃ-মাতৃ তথা অভিভাৱক আছে যিয়ে শিশুৰ শৈক্ষিক অগ্ৰগতিৰ দায়িত্ব সম্পূৰ্ণৰূপে অধ্যয়ন কৰা শিক্ষানুষ্ঠানৰ ওপৰতে এৰি দিয়ে আৰু সন্তানৰ প্ৰতি সম্পূৰ্ণ উদাসীন মনোভাৱ পোষণ কৰে এনে আওকণীয়া মনোভাৱে শিক্ষাৰ্থী তথা শিশুৰ জীৱনত বিৰূপ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।

বহু পিতৃ-মাতৃয়ে সন্তানক পুথিগত শিক্ষা আহৰণৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। নিজ সন্তানৰ পৰীক্ষাৰ নম্বৰ, শতাংশ আদিক লৈ ডাহ কৰা অভিভাৱকৰ সংখ্যাও আমাৰ সমাজত তাকৰ নহয়। কিন্তু বহুসময়ত পৰীক্ষাত ভাল নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীয়েও সাধাৰণ কথা-বতৰা, চৌপাশৰ পৰিৱেশ তথা প্ৰাথমিক জ্ঞানৰ পৰাও বঞ্চিত হৈ থকা পৰিলক্ষিত হয়। অভিভাৱকে সন্তানৰ অধ্যয়নস্পৃহা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব লাগে। নিয়মিত বাতৰি-কাকত অধ্যয়নেও ছাত্ৰ-ছাত্ৰীক বহুতো জ্ঞান আহৰণত সহায় কৰিব পাৰে। অভিভাৱকে সন্তানৰ তেনে অভ্যাস গঢ়ি উঠাত বৰঙণি যোগাব লাগে।

অভিভাৱকসকলৰ বদ্ধমূল ধাৰণা এই যে মোবাইল, কম্পিউটাৰ, দূৰদৰ্শন, ইণ্টাৰনেট আদিক লৈ ব্যস্ত থকা শিশুৰ ভৱিষ্যত শূন্য। কিন্তু বিজ্ঞানৰ অৱদান সম্পৰ্কে প্ৰত্যেক্ষভাৱে বগৰো অপকাৰ

বা উপকাৰ সাধন নকৰে। ইয়াৰ উপকাৰিতা আৰু অপকাৰিতা নির্ভৰ কৰে ব্যৱহাৰকাৰীৰ ওপৰতহে। বর্তমান সময়ত বহুতো প্রয়োজনীয় জ্ঞানৰ সুবাস লাভত ইন্টাৰনেট, মোবাইল, কম্পিউটাৰ, দূৰদর্শন আদিৰ দৰে মাধ্যমবোৰে যথেষ্ট অৰিহনা যোগায়। কিন্তু এইবোৰৰ অপব্যৱহাৰে নিজৰ জীৱনলৈকে অমানিশা নমাই আনিব পাৰে। সেয়েহে এনেবোৰ সাধন ব্যৱহাৰ কৰোতে অভিভাৱক সদায় সচেতন আৰু পথ প্রদর্শক হোৱাতো আৱশ্যক।

সময় উপযোগী তথা যথোপযুক্ত পৰিচর্যা, যত্ন অবিহনে যেনেদৰে আমি ৰোপন কৰা গছপুলি এটা মৰহি যায়, ঠিক তেনেদৰে অভিভাৱকৰ নিৰন্তৰ প্রয়াস আৰু যত্নইহে এটি সন্তানক তথা শিশুক এক পূর্ণ বৃক্ষৰ ৰূপ দিবলৈ সক্ষম হ'ব। যাৰ পৰা সময়ত "ফল" আশা কৰিব পাৰি। যি সমাজৰ উন্নতিৰ পথ প্রশস্ত কৰিবৰ বাবে সহায়ক হ'ব।

~ কাবেৰী গোস্বামী
বি.এড. দ্বিতীয় বর্ষ



# জীৱনৰ ধুমুহা

জন্মৰ পৰা মৃত্যুলৈ যি যাত্ৰা যত পোৱা নোপোৱা, হাঁহি কান্দোন আশা নিৰাশা, সুখ দুখ এয়াই আচলতে জীৱন। প্ৰত্যেকৰে জীৱনৰ অংক বোৰ পৃথক। প্ৰায়েই প্ৰকাশ কৰিব নোৱাৰা এখন জীৱনৰ যুঁজ চলি থাকে। জীৱনত জানো আমাৰ আটাইতকৈ প্ৰয়োজনীয় বস্তুবোৰ কেৱল সুখ হাঁহি সাফল্যই নে? দুখৰ অবিহনে জানো সুখ উপলব্ধি কৰিব পাৰি? নোপোৱাখিনিক লৈ সদায়েই দুখ অনুভৱ কৰো, পোৱাখিনিৰ কথা কেতিয়াবা ভাবিছোঁ নে?

আচলতে নোপোৱাখিনিক লৈ দুখ কৰি থাকোঁতে পোৱাখিনিক গুৰুত্বই নিদিওঁ। পাহৰি যাওঁ নিজৰ মাজতে বিৰাজমান হৈ থকা যিবোৰে আমাক হয়তো অত্যাধিক সুখী কৰিব পাৰে but we can not feel it so.

Life is Unpredictable. যি পাইছো, যি আছে, যিয়ে আমাক মৰম দিছে, যিয়ে আমাৰ ধনাত্মক চিন্তা কৰে তাকে লৈ আগবাঢ়ি যাওঁচোন। কিছুমানৰ জীৱনৰ বাটত জীৱনটোৱে জীয়াবলৈ আৰু অধিক উৎসাহী হৈ পৰে। জীৱনৰ বাটত আমি ভবা ধৰণে সহজসাধ্য নহয়, তথাপি জানো আমি আগবাঢ়িব পাৰিছোঁ?

এবাৰ ভাবি চাবচোন আগবাঢ়ি যাবলৈ সাহসবোৰ কৰ পৰা পাওঁ। সেই সাহস দিয়া মানুহবোৰেই আমাৰ জীৱনৰ সাৰথি নহয়জানো?

অৰ্জুনে ভগৱান শ্ৰীকৃষ্ণক সাৰথি হিচাপে লাভ কৰি সমস্ত বিশ্বব্ৰহ্মাণ্ড জয় কৰিছিল, ঠিক তেনেদৰে আমাৰ জীৱনত সেই সাহস, উৎসাহ আৰু প্ৰতিটো খোজত থিয় দিয়া ব্যক্তি কেইগৰাকীয়ে আমাৰ জীৱনৰ সাৰথি নহয়জানো?

মাথো লাগিব ধৈৰ্য্য, সাহস আৰু আত্মবিশ্বাস তেতিয়া জীৱনত জয়ী হোৱাত কোনোৱে বখাব নোৱাৰে। প্ৰত্যেকৰে জীৱনত ধুমুহা এজাক আহে। ধুমুহাজাকে পৰিৱেশ বিনষ্ট কৰাৰ দৰে জীৱনৰ বাট-পথৰ পৰিৱেশ সলাই পেলায়, হৃদয়ৰ পদূলিত ৰচা কল্পনাবোৰ মোহাৰি পেলায়, জীৱনত থকা আবেগৰ ঢৌৰাল উদং কৰি তোলে।

ধুমুহা এজাক অহাৰ আগতে আমি বতৰৰ সংকেত পাওঁ কিন্তু জীৱনৰ ধুমুহাজাক হঠাতে আহি পৰে। আমি প্ৰস্তুত হবলৈ সময় নাপাওঁ।

সেই ধুমুহাজাকে জীৱনটো ছাৰখাৰ কৰি সপোনবোৰ চূৰ্ণ-বিচূৰ্ণ কৰি পেলায়। প্ৰতিটো বাট অন্ধকাৰ হৈ পৰে, থমকি ৰয়। সকলোবোৰ আশা, প্ৰতিশ্ৰুতি, সপোন ধ্বংস হৈ পৰে। দি যায় ধৰাশায়ী দুখ বেদনা আৰু অশ্ৰু। ৰৈ যায় মাথোঁ ভগা সপোনৰ আবেগবোৰ।

তাৰ বিপৰীতে ধুমুহাজাকে শিকাই থৈ যায় জীৱনৰ বহু অভিজ্ঞতা।


জীৱনৰ অন্ধকাৰ বাটত পোহৰ বিলাই সেই ভগা সপোনৰ আবেগবোৰৰ সৈতে পুনৰ সপোনবোৰক সজীৱ কৰি তুলিবলৈ উৎসাহ প্ৰদান কৰে। যেতিয়া সৰু গছ এজোপা ধুমুহা, বৰদৈচিলা নেওঁচি নিজক সুৰক্ষিত কৰি স্থিৰ হৈ থাকিব পাৰে তেন্তে গছ এজোপা ডাঙৰ হলে অইন হেজাৰটা ধুমুহায়েও একনো ক্ষতি কৰিব নোৱাৰে। ঠিক একেদৰেই আমাৰ জীৱনটোৱে যদি বৰ্তমান ধুমুহা টেৰেকণিৰে আবৃত হৈ স্থিৰে থাকিব পাৰিছে পাছলৈ তেন্তে হেজাৰটা ধুমুহাও আমাক আগভেটি ধৰিব নোৱাৰে। ধুমুহাজাক জীৱনৰ এক পৰীক্ষা যত প্ৰত্যেকৰে জীৱনৰ প্ৰশ্নকাকতখন বেলেগ বেলেগ। প্ৰত্যেকৰে নিজৰ নিজৰ পৰীক্ষাত অৱতীৰ্ণ হব লাগিব। জীৱনৰ পৰীক্ষাবোৰ উত্তীৰ্ণ হৈ আগুৱাই যাব পাৰিলেহে আমি জীৱনৰ যুঁজৰ একোজন পাৰ্গত খেলুৱৈ বুলি প্ৰতিপন্ন হম। তেতিয়া তেনেকুৱা ধুমুহা, বৰদৈচিলাই জীৱন যাত্ৰাৰ পথিপথত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। জীৱনৰ প্ৰশ্নৰ অংকবোৰ সমাধান কৰিবলৈ দি যায় সূত্ৰ যিবোৰ পোৰ্চেই জীৱনৰ বাবে তাৎপৰ্যপূৰ্ণ। মানসিকভাৱে সবল আৰু সাহসী কৰি জীৱনৰ প্ৰতিটো বাধা নেওঁচি জীৱন যুঁজত আগবাঢ়ি নিজকে প্ৰতিষ্ঠিত কৰিবলৈ দৃঢ়তা প্ৰদান কৰে। জীৱনটোৱে পুনৰাই সপোনবোৰ বাস্তৱায়িত কৰিবলৈ উৎসাহ আৰু প্ৰেৰণা লাভ কৰে। এয়াই জীৱনৰ সামীকৰণ।



ভাস্কৰজ্যোতি বৰ্মন
বি. এচ. প্ৰথম বৰ্ষ

# বহিঃজগতৰ বুদ্ধিমান জীৱৰ সন্ধান

"......... মানুহৰ প্ৰতিটো কাৰ্যাৱলী মানুহতকৈ বহুগুণে উন্নত জ্ঞানৰ অধিকাৰী কোনো মহাজাগতিক জীৱই প্ৰতিক্ষণে নিৰীক্ষণ কৰি থাকিব পাৰে......... পৃথিৱীতকৈ প্ৰাচীনতৰ কোনো গ্ৰহৰপৰা মানৱ জাতিৰ বিপৰ্যয়ৰ সূচনা হ'ব পাৰে।" এইদৰে আৰম্ভ হৈছে এইচ. জি. ৱেলছৰ 'War of the worlds'ৰ কাহিনীভাগ, প্ৰকৃতাৰ্থত ৱেলছে গ্ৰহান্তৰৰ (মংগলৰ পৰা) পৰা অহা দস্যু প্ৰকৃতিৰ জীৱই পৃথিৱীৰ আক্ৰমণ কৰি মানুহক দাসত পৰিণত কৰা ছবি সুন্দৰকৈ আঁকিছে।



বহিঃগ্ৰহৰ প্ৰাণীৰ ধাৰণাটো মানুহৰ বাবে নতুন নহয়। অতি প্ৰাচীন কালৰেপৰা মানুহে বিশ্বাস কৰি আহিছে যে দেৱ-দেৱীসকল গ্ৰহবোৰৰ বাসিন্দা। হিন্দুসকলৰ মাজত কিছুমান গ্ৰহৰ নাম দেৱতাৰ নামেৰে পৰিচিত। ভাৰতীয় জনমানসত শনি এজন গ্ৰহদেৱতা। শনিদেৱতাৰ কোপত পৰি গণেশৰ মূৰ চিঙি যোৱা কথা শাস্ত্ৰত লিখা আছে। জাপান দেশৰ চুজানো নামৰ দেৱতাজনো পৃথিৱীলৈ অহাৰ আগতে চন্দ্ৰলোকত আছিল বুলি প্ৰবাদ আছে।

উনৈশ শতিকাৰ শেষৰফালে মংগলৰ বুকুত খাল থকাৰ কথাটো প্ৰচাৰৰ পিছত বহিঃগ্ৰহৰ প্ৰাণীৰ ধাৰণাটো পুনৰ প্ৰাণ পাই উঠিল। বহিঃগ্ৰহৰ প্ৰাণীৰ সম্পৰ্কত এবিধ ফল ভাবিবলৈ লৈছে — পৃথিৱীত উন্নত সভ্য নথকা অৱস্থাত আমাতকৈ উন্নত কোনো বহিঃগ্ৰহৰ প্ৰাণীয়ে পৃথিৱীত আহি নানা ধৰণৰ কাম কৰি গৈছে।

গ্ৰহ-নক্ষত্ৰৰ জীৱ থকা এইধৰণৰ বিশ্বাসৰ ওপৰত বিজ্ঞানী সমাজো দুই ভাগত বিভক্ত হৈ পৰিছে। এচাম বিজ্ঞানীয়ে বহিঃপাৰ্থিৱ জীৱ থকা কথাটো মানি ল'বলৈ প্ৰস্তুত নহয়। এই সকলৰ ভিতৰত আছে 'সাধাৰণ আপেক্ষিকতাবাদৰ বিশেষজ্ঞ পদাৰ্থবিজ্ঞানী ফ্ৰেংক টিপলাৰ। আনহাতে জেমচ্ জীনছৰ দৰে বিজ্ঞানীয়ে প্ৰথমতে বহিঃপাৰ্থিৱ জীৱ থকা কথাটো অস্বীকাৰ কৰিলেও পিছত তেওঁ মত সলনি কৰিছিল।

এতিয়া প্ৰশ্ন হ'ল যদি বুদ্ধিমান জীৱ কৰবাত আছে, তেন্তে সিহঁতৰ যোগা-যোগ কৰাৰ উপায় কি? ১৮৩২ চনত জ্যোতিৰ্বিজ্ঞানী ভন লিট্ৰ'ই পৃথিৱীৰ পিঠিত বেলেগ বেলেগ আকৃতিৰ খাল কাটি আন গ্ৰহত পৃথিৱীত বুদ্ধিমান জীৱ থকাৰ সংকেত দিয়াৰ প্ৰস্তাৱ কৰে। ১৮৪০ চনত বহিঃগ্ৰহৰ জীৱৰ লগত যোগাযোগ কৰিবলৈ গণিতজ্ঞ কাৰ্লফ্ৰিডৰিখ গাউচে এক আমোদজনক প্ৰস্তাৱ আগবঢ়ায়। প্ৰস্তাৱটো হ'ল— 'ছাইবেৰিয়াৰ বিস্তীৰ্ণ প্ৰান্তৰৰ এটা পাইথাগোৰিয়ান ত্ৰিভুজাকৃতিৰ খেতি কৰা হওক; যিটো ভিন্ন গ্ৰহৰ বুদ্ধিমান প্ৰাণীয়ে নিৰীক্ষণ কৰিলে শস্যৰ ৰঙৰ পৰিৱৰ্তন চাই বুজিব পাৰিব যে পৃথিৱীত বুদ্ধিমান প্ৰাণী থাকে।' গাউচৰ এই প্ৰস্তাৱ পিছলৈ অৱশ্যে কাৰ্য-কৰী নহ'ল।

মহাকাশযুগ আৰম্ভ হোৱাৰ পিছত গ্ৰহ অভিমুখী মহাকাশযান প্ৰেৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। সৌৰজগতৰ আন গ্ৰহবোৰত বুদ্ধিমান জীৱ থকা-নথকা কথাটো নিশ্চিত কৰিবলৈ ই আমাক সুযোগ কঢ়িয়াই আনিলে। মংগল গ্ৰহত প্ৰাণীৰ অস্তিত্ব বিচাৰি নামিল ভাইকিং। ফলাফল একেই পোৱা গ'ল। অৰ্থাৎ সৌৰজগতৰ গ্ৰহকেইটাত অন্ততঃ বুদ্ধিমান প্ৰাণী নাই।

'ৰকেট যুগ' আৰম্ভ হোৱাৰ পিছত বহিঃপাৰ্থিৱ প্ৰাণীৰ সন্ধানত মহাকাশযানবোৰে মানুহৰ মনত আশাৰ সৃষ্টি কৰিছিল। মহাকাশযানৰ সহায়ত সৌৰজগতৰ বাহিৰলৈ সংকেত প্ৰেৰণ কৰি বুদ্ধিমান প্ৰাণীৰ লগত যোগাযোগৰ পৰিকল্পনা কৰিছিল জ্যোতিৰ্বিজ্ঞানী কাৰ্ল চেগান আৰু ফ্ৰেংক ড্ৰেকে।

বৰ্তমান মানুহৰ হাতত থকা ৰেডিঅ' তৰংগই হ'ল বহিঃপাৰ্থিৱ প্ৰাণীলৈ প্ৰেৰণ কৰিব পৰা আটাইতকৈ দ্ৰুতবেগী ব্যৱস্থা। ৰেডিঅ' তৰংগৰ বেগ পোহৰৰ বেগৰ সমান অৰ্থাৎ ছেকেণ্ডত ১৮৬,০০০ মাইল। ১৯৫৯ চনত ফিলিপ মৰিচন আৰু গুইছেপ ককনিৰ 'Nature' নামৰ বিখ্যাত বিজ্ঞান পত্ৰিকাত 'Searching for Intersteller communication' নামৰ এক প্ৰবন্ধ প্ৰকাশিত হয়। তেওঁলোকে বহিঃপাৰ্থিৱ জীৱৰ পৰা ৰেডিঅ' তৰংগত সংকেত অহাৰ এক সম্ভাৱনা আঙুলিয়াই দিয়ে।

১৯৭৪ চনত পৰ্টৰিকৰ আৰেচিব পাহাৰত থকা ৰেডিঅ' দূৰবীনৰ পৰা দ্বিত প্ৰণালীত তিনি মিনিটৰ বা ৰেডিঅ' তৰংগত সংকেত প্ৰেৰণ কৰে। এই সংকেতত আছিল সৌৰজগতৰ বিৱৰণ, বংশগতি নিৰ্ণয় কৰিব পৰা অণুৰ গঠন আদি। বুদ্ধিমান প্ৰাণী বিচাৰি পোৱাৰ আশাত ১৯৮৩ চনত কাৰ্নেল

বিশ্ববিদ্যালয়ৰ জ্যোতিৰ্বিজ্ঞানী কাৰ্ল ছেগানৰ নেতৃত্বত কেইজনমান বিজ্ঞানীয়ে 'SETI' নামৰ এক অভিযান আৰম্ভ কৰে। SETI হ'ল Search for Extraterrestrial Intelligence ৰ সংক্ষিপ্ত ৰূপ।

মহাকাশৰ বিশালতা হৈ পৰিছে যোগাযোগৰ প্ৰধান অন্তৰায়। তথাপি মানুহে বহিঃপাৰ্থিৱ প্ৰাণীৰ সন্ধানত প্ৰচেষ্টা চলাই গৈছে। কেৱলো বহিঃগ্ৰহত বুদ্ধিমান প্ৰাণী বিচাৰি পোৱা আশাত। মানৱ মনৰ এই আশা প্ৰতিফলিত হৈছে ৪ৰ্থ শতিকাৰ গ্ৰীক দাৰ্শনিক মেট্ৰডোৰচৰ ভাষাত — "এখন পথাৰত গুটি সিঁচি দিলে এটাহে গুটি গজিব বুলি ভবাটো যেনে অবাস্তৱ কথা, অনন্ত মহাকাশত মাজো পৃথিৱীখনতেহে প্ৰাণী থকা একমাত্ৰ গ্ৰহ বুলি ভবাটোও তেনে অবাস্তৱ কথা।"

~ শ্ৰী প্ৰীতিমণি কলিতা
B.Ed প্ৰথম বৰ্ষ

# নিপীড়িত জনতাৰ কণ্ঠ বিষ্ণুপ্ৰসাদ ৰাভা



যিজন লোক আছিল নিজৰ আদৰ্শত সদায় ৰঙা সূৰ্য্যৰ দৰে দীপ্তিমান। যি আছিল স্থিতপ্ৰজ্ঞ, ধৈৰ্যশীল তথা একেধাৰে শিল্পী, সাহিত্যিক, গৱেষক, সংগীতজ্ঞ, চিত্ৰকৰ। সেইজনা মহান মানৱ প্ৰেমিক, দেশ প্ৰেমিক লোকেই আছিল বিপ্লৱী শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। ৰাভাদেৱ আছিল সৰ্বকলাৰ অধিকাৰী লোক। তেওঁৰ কলমৰ শকতিত শোষক, পীড়ক, দানৱ কম্পিত হৈছিল। তেওঁৰ তুলিকাৰ বুলনিত থুপ খাইছিল সৌন্দৰ্য্য। তেওঁৰ মিঠা মাতত হেজাৰ অৱনত, অৱহেলিত লোক নৱ চেতনা, নৱ প্ৰেৰণাৰে সচেতন হৈ উঠিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ বিপ্লৱী মন-মগজু শোষিত, নিপীড়িত, হালোৱা হজুৱা, বনুৱা, দুখীয়া ৰাইজৰ মুক্তিৰ বাবে চিৰ জাগ্ৰত আছিল। তেওঁ বিশ্বাস কৰিছিল যেতিয়ালৈ শাসক-শোষক, ৰজা-জমিদাৰ, পুঁজিপতি-ধনকুবেৰসকলৰ হাতৰ মুঠিত সমাজ ব্যৱস্থা আৰু ৰাষ্ট্ৰ ব্যৱস্থা থাকিব সিমান দিনলৈ নিম্ন জনগণে মানৱৰ আসন লাভ কৰিব নোৱাৰিব। অসমতাপূৰ্ণ সমাজত তেওঁলোক চিৰদিন বঞ্চনাৰ সন্মুখীন হ'ব লাগিব। সেয়েহে এই নিপীড়িত, অৱহেলিত, অনাদৃত, শোষিতসকলৰ বাবে দৰদী শিল্পী ৰাভাদেৱ হৈ পৰিছিল ম্ৰিয়মান। লগতে হৈ পৰিছিল বিদ্ৰোহী বিপ্লৱী। তেওঁৰ কাগৰ পৰা নিগৰা শব্দই শব্দই মাথো জ্বলি উঠিছিল বিপ্লৱৰ বহ্নি শিখা তথা শোষিত জনতাৰ মুক্তিৰ কথা। মানৱ দৰদী ৰাভাদেৱে বিশ্বাস কৰিছিল আবেদন-নিবেদন অথবা কাকুতি-মিনতিৰ জৰিয়তে সৰ্বহাৰাৰ দুখ মোচন নহয়; সৰ্বাত্মক বিপ্লৱহে ইয়াৰ একমাত্ৰ পথ। সেয়েহে তেওঁ দুখীয়া জনতাক উদ্বুদ্ধ কৰি লিখিছিল "বিপ্লৱ পথৰ যাত্ৰী আমি, সৰ্বহাৰাৰ মুক্তিকামী।" এনেবোৰ ৰচনাৰে তেখেতে শোষিত-নিষ্পেষিত শ্ৰেণীৰ হকে মাত মাতি শোষক শ্ৰেণীক সাৱধান বাণী শুনাইছিল।

তেখেতে বিশ্বাস কৰিছিল কৃষক আৰু শ্ৰমিকেহে সমাজ গঢ়ে। গতিকে তেওঁলোকক সচেতনভাৱে সংগঠিত কৰি বিপ্লৱৰ জৰিয়তে শোষণহীন সমাজ গঢ়ি তুলিব নোৱাৰিলে এই শ্ৰমজীৱী লোকসকলৰ কল্যাণ সাধন অৰ্থাৎ সমাজৰ প্ৰকৃত সাংস্কৃতিক বিকাশ অসম্ভৱ। শোষণহীন সংস্কৃতি সম্পন্ন সমাজ গঢ়াৰ অৰ্থে তেওঁ ৰচনা কৰিছিল বিভিন্ন গীত কবিতা। তেওঁৰ গীতবোৰেই আছিল কৃষক-শ্ৰমিকক জগাই তোলা বিপ্লৱৰ এক অমোঘ অস্ত্ৰ —

জাগ্ জাগ্ জাগ্ জাগ্
মজদুৰ ন-জোৱান।
নিৰ্যাতিত - নিপীড়িত
কৃষক শক্তিমান।

কৃষকসকলে ৰ'দক ৰ'দ নুবুলি, জোকা ৰাতত জহি-পুৰি, বৰষুণক বৰষুণ নুবুলি তেনে বৰষুণত তিতি-বুৰি হাল বায়, ভুঁই ৰুৱে। সেউজীয়া ধাননি পথাৰ কাতি-আঘোণ মাহত সোণোৱালী বৰণ সানি জিপ্লিপ্ হৈ উঠে। কৃষক সমাজে সেই সোণোৱালী ধান কাটি হেঁপাহেৰে মৰণা মাৰে। পিছে সেই সোণটেঁকুৰা গুটি ধান ভঁৰালত সোমাব নোপাওঁতেই জমিদাৰ- মহাজন হঁতৰ তুলিত সোমায়। কৃষকসকলে গোটেই বছৰ এসাঁজ খায়, এসাঁজ নাখায়। বছৰটোৰ অধিক সময় তেওঁলোকে লঘোণে থাকিবলগাত পৰে। সেইবোৰ দেখি শুনি ৰাভাদেৱৰ মানৱ দৰদী মনত বিপ্লৱৰ অগনি জ্বলি উঠে। আৰু তেতিয়াই তেওঁৰ কাপৰ পৰা নিগৰি ওলায় দুখীয়াৰ কলিজাৰ ৰঙা তেজ শুহি খোৱা ধনী জমিদাৰৰ অহংকাৰ ধ্বংস কৰাৰ গান—

শুহে কলিজাৰ ৰঙা তেজ
প্ৰজা দুখীয়াৰ
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।

ৰাভাদেৱে উপলব্ধি কৰিছিল নিপীড়িত জনতাৰ সৰ্বদুখঃৰ কাৰণ হৈছে ধনীশ্ৰেণীৰ শোষণবাদ। ধনী-শ্ৰেণীৰ শোষণৰ ফলতেই দুখীয়াৰ দুখ-দুৰ্গতি বাঢ়িছিল। নানা ধৰণৰ খাজানাৰ হেঁচাত কৃষক-বনুৱা সমাজ সৰ্বধ্বান্ত হৈ পৰিছিল। নিপীড়িত গৰীৱ শ্ৰেণীৰ ক্ৰন্দন কোনেও শুনা নাছিল। সেয়েহে ৰাভাদেৱে হালোৱা হজুৱা - বনুৱা শ্ৰেণীক নিজৰ দুবাহুৰ বল চিনি এনে এক বিপ্লৱৰ সূচনা কৰিবলৈ আহ্বান কৰিছিল যি বিপ্লৱে ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব।

দুখীয়া, শোষিত, নিপীড়িত জনতাৰ হকে মাত মাতি ৰাভাদেৱ ৰজাঘৰীয়াৰ ৰোষত পৰিবলগীয়াও হৈছিল। তেওঁৰ বৈপ্লৱিক কাম-কাজৰ বাবে বহুবাৰ কাৰাৰুদ্ধ হ'ব লগাত পৰিছিল। তথাপি তেওঁ নিজৰ লক্ষ্যৰ পৰা বিচলিত হোৱা নাছিল। ৰাইজৰ মৰম চেনেহকেই নিজৰ ৰক্ষা কৱচ হিচাপে মানি, ৰাইজৰ

আশীষকেই পক্ষপাত অস্ত্ৰ হিচাপে মানি তেখেতে সাম্যবাদ প্ৰতিষ্ঠাৰ বিপ্লৱৰ এজন সুস্থ, বলিষ্ঠ তথা নিৰ্ভীক সৈনিক ৰূপে নিজকে তৈয়াৰ কৰিছিল।

তেখেতে নিজৰ গীত-কবিতাৰ মাজেৰেও দি গৈছিল দুখীয়াৰ তেজ শুহি খোৱা, ৰকি ৰকি মঙহ চোবোৱা ধনী মহাজনৰ বিৰুদ্ধে ৰণ হুংকাৰ।

দুখীয়াৰ কলিজা নিঙাৰি লয়
টুপি টুপি টুপি তেজ শুহি পিয়
ৰকি ৰকি মঙহ চোবাই খায়
কুৰুকি হাড় কেইডাল চোবায়
হুঁচিয়াৰ হুঁচিয়াৰ ধনী মহাজন
জমিদাৰ হুঁচিয়াৰ.........

ৰাভাদেৱে যেন নিজৰ দেহৰ প্ৰতিটো পাল তেজ দি হলেও মচি যাব বিচাৰিছিল দীন সমাজৰ হীন পৰিহাস। তেখেতে গাইছিল নিপীড়িত জনতাৰ চিৰবিজয়ৰ গান আৰু ফিৰাই আনিব বিচাৰিছিল দলিতৰ সন্মান —


"তেজৰ বোলেৰে লিখি যাম ইতিহাস
মচি যাম দীন সমাজৰ হীন পৰিহাস।"

এখন শোষণহীন, শ্ৰেণীহীন সাম্যবাদী সমাজ গঢ়াৰ ৰাভাদেৱৰ যি আদৰ্শ আছিল সেয়া আজিও প্ৰাসংগিক।

~ পলাশজ্যোতি দাস
বি.এচ. প্ৰথম বৰ্ষ

# শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা

সাধাৰণ অৰ্থত কোনো বিষয়ত জ্ঞান বা কৌশল আয়ত্বকৰণৰ কাৰ্যকে শিক্ষা বুলি কোৱা হয়। শিক্ষাই ব্যক্তি এজনৰ অন্তৰ্নিহিত শক্তিৰ উৎকৰ্ষ সাধন কৰি ব্যক্তিজনৰ ব্যক্তিত্বৰ বিকাশ ঘটোৱাত সহায় কৰে। শিক্ষিত ব্যক্তি এজনেহে সমাজৰ সৈতে যোজ মিলাই সুকলমে নিজ জীৱনটো পৰিচালিত কৰিবলৈ সক্ষম হয়। কেৱল পুথিগত জ্ঞান অৰ্জন কৰাকে শিক্ষা বুলিব নোৱাৰি। ইয়াৰ লগতে নৈতিক মূল্যসমূহৰ দৃঢ়ীকৰণ কৰাটোও খুবেই প্ৰয়োজনীয়। কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থাত এই নৈতিক মূল্যসমূহৰ অভাৱ পৰিলক্ষিত হৈছে।




মানৱ জীৱনটো সফলভাৱে গঢ়ি তুলিবলৈ হ'লে আমি কিছুমান নীতি-নিয়ম মানি চলিব লাগিব। এই নীতি-নিয়মবোৰ যদি আমি সুষ্ঠুভাৱে মানি চলিব নোৱাৰো তেন্তে আমি এটা সুখী জীৱন গঢ়ি তুলিবলৈ সক্ষম নহ'ম। এই নীতি-নিয়মবোৰক চমু অৰ্থত নৈতিক শিক্ষা বোলা হয়। এখন সমাজৰ নৈতিক মূল্যসমূহৰ ওপৰতে ভিত্তি কৰি মানুহ এজনৰ কামসমূহ ভাল বা বেয়া, শুদ্ধ বা অশুদ্ধ, নৈতিক বা অনৈতিক হিচাপে ভগাব পাৰি। নৈতিক শিক্ষা প্ৰকৃততে পূৰ্ব পুৰুষৰ পৰা চলি অহা কোনো ধৰণৰ পৰম্পৰা নহয়। ই হৈছে এনে এক নীতি যাৰ জৰিয়তে আমি ভাল-বেয়াৰ মাজৰ পাৰ্থক্য উপলব্ধি কৰি ভালটো বাছি ল'ব পাৰো।

বৰ্তমানৰ এই আধুনিকতাৰ যুগত মানুহ অধিক যান্ত্ৰিক হৈ পৰিছে। যাৰ ফলত মানুহে নিজ জীৱনৰ মহত্ত্ব তথা নৈতিকতাক পাহৰিব ধৰিছে আৰু সমাজ এখনত মানৱতা নোহোৱা হৈ গৈছে। সহানুভূতি, নিস্বাৰ্থভাৱে কাম কৰা, আনক সহায় কৰা, সন্মান সহকাৰে কথা পতা আদিৰ দৰে বিভিন্ন ধৰণৰ মহৎ গুণসমূহ আজিকালি খুব কম সংখ্যক মানুহৰ মাজতহে দেখা যায়। নৈতিকতাৰ অভাৱতেই মানুহৰ মাজত সততা, সত্যতা, অহিংসা, শিষ্টাচাৰ, নিয়মানুবৰ্তিতা আদি নোহোৱা হৈছে আৰু তাৰ ঠাইত লোভ, হিংসা, মিছা কথা কোৱা, হিংসামূলক কামত জড়িত হোৱা প্ৰৱণতাই ঠাই লৈছে। নৈতিক শিক্ষাৰ অভাৱতেই বহু ছাত্ৰ-ছাত্ৰীয়ে মিছা কথা কোৱা, পৰীক্ষাৰ সময়ত নকল কৰা, কলেজলৈ আহি ক্লাছ নকৰা তাৰ পৰিৱৰ্তে ঘূৰিবলৈ যোৱাৰ দৰে কামত জড়িত হ'বলৈ কুণ্ঠাবোধ নকৰে। আকৌ ডাঙৰক সন্মান নকৰা, ওলোটাই উচ্চস্বৰত উত্তৰ দিয়া, মাক-দেউতাকৰ ওপৰত হাত উঠোৱা, খঙৰ ভমকত ঘৰৰ বস্তু বাহানি ভাঙি তলিহং কৰা, বয়োজ্যেষ্ঠজনৰ কথা নুশুনা আদিৰ দৰে কাম আজিৰ যুৱপ্ৰজন্মই কৰা দেখা যায়। তদুপৰি এনে শিক্ষাৰ অভাৱতে

বহু ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজসমূহৰ ডেস্ক-বেঞ্চত উঠি ভাঙি চুৰমাৰ কৰে, মাৰপিট কৰে তথা জাতীয় আৰু ৰাষ্ট্ৰীয় স্বকীয়তাক অৱমাননা কৰাও দেখা যায়। তাৰ লগতে যুৱ প্ৰজন্মৰ বেছিভাগ যুৱক যুৱতীয়ে ড্ৰাগছ, মদ, গুটখা আদিৰ প্ৰতি আসক্ত হৈ পৰাও দেখা যায়। গতিকে এনেধৰণৰ কাৰ্যসমূহৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক দূৰত ৰাখিবলৈ হ'লে তেওঁলোকক নৈতিক শিক্ষাৰে শিক্ষিত কৰাটো নিতান্তই প্ৰয়োজনীয়।

নৈতিক শিক্ষা কোনোধৰণৰ বিশেষ শিক্ষা নহয় যে ই কেৱল স্কুল-কলেজসমূহতে শিকিব পাৰি। শিশু এটিয়ে নৈতিকতাৰ শিক্ষা পোন প্ৰথমে নিজৰ ঘৰখনৰ পৰাই লাভ কৰে। এই ক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ বয়োজেষ্ঠসকলেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকে ঘৰখনত এনে এক পৰিৱেশৰ সৃষ্টি কৰা উচিত যত শিশুৱে কেৱল ভাল কথা শিকে আৰু সৃজনীমূলক কামতহে উৎসাহ পায়। যিহেতু সৰুৱে ডাঙৰৰ পৰাই বহু কথা শিকে, গতিকে তেওঁলোকে শিশুসকলক নিজে ভাল আদৰ্শ হৈ দেখুৱাব লাগিব। তেওঁলোকে যদি ঘৰত উশৃংখল পৰিৱেশ, অনবৰতে হাই-কাজিয়া, গালি-গালাজ কৰি থাকে তেন্তে শিশুসকলেও সেইবোৰকে অনুকৰণ কৰিব। গতিকে তেওঁলোকে শিশুসকলক ডাঙৰক সন্মান কৰা, সৰুক মৰম কৰা, মাৰ্জিতভাৱে আনৰ লগত কথা পতা, ডাঙৰক প্ৰত্যুত্তৰ নিদিয়া, হাই-উৰুমি নকৰা, শিষ্টাচাৰ, পৰিষ্কাৰ পৰিচ্ছন্নতা আদিৰ দৰে গুণসমূহক শিকাব লাগিব। আৰু নিজ দেশক সন্মান কৰা, জাতীয় তথা ৰাষ্ট্ৰীয় সম্পত্তিসমূহক ব্যক্তিগত সামগ্ৰীৰ দৰে সংৰক্ষণ কৰা আদি গুণবোৰো ছাত্ৰ-ছাত্ৰীক শিকোৱাতো প্ৰয়োজন।

স্কুল-কলেজসমূহত নৈতিক শিক্ষাক শিক্ষাৰ এক অন্তৰ্ভুক্ত বিষয় হিচাপে শিকোৱাতো প্ৰয়োজনীয়। স্কুলবোৰত বিভিন্ন ধৰণৰ লোককথা, কবিতা, মহৎ লোকৰ জীৱনী, নীতিশিক্ষামূলক কাহিনী ইত্যাদিক পাঠ্যপুথিৰ অন্তৰ্গত কৰি শিক্ষাৰ্থীসকলক নৈতিকতাৰ পাঠদান দিয়াৰ ব্যৱস্থা কৰিব পাৰি। কলেজ বা মহাবিদ্যালয়সমূহত শিক্ষাৰ মূল্য, মানৱতা আদিৰ ওপৰত শিক্ষা প্ৰদান কৰাৰ লগতে শৈক্ষিক অভিবৰ্তন আদি অনুষ্ঠানৰ আয়োজন কৰা উচিত।

আমাৰ জীৱনত সৎ ব্যক্তিত্বৰ খুবেই প্ৰয়োজন। কিয়নো ব্যক্তিত্ব অবিহনে কোনো ব্যক্তিয়ে মহান হ'ব নোৱাৰে। ব্যক্তিৰ চেহেৰা বা আকৃতি কেতিয়াও তেওঁৰ ব্যক্তিত্ব বিকাশৰ মূল অংগ নহয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থাত নৈতিক শিক্ষাক অন্তৰ্ভুক্ত কৰিলেহে ছাত্ৰ-ছাত্ৰীসকলে সঠিক দিশত নিজৰ জীৱনটো আগুৱাই নিবলৈ অনুপ্ৰাণিত হ'ব পাৰি লগতে দেশখনৰ উন্নতিত তেওঁলোকে অবিহণা যোগাব পাৰিব।

শিল্পা ৰায়
বি.এড. দ্বিতীয় বৰ্ষ

# এজন ভাল শিক্ষক

এজন মহান শিক্ষক হোৱাৰ অৰ্থ কি? নিশ্চয় প্ৰমাণপত্ৰ, জ্ঞান সমলোচনাত্মক চিন্তাধাৰা আৰু বুদ্ধিমত্তাৰ আন সকলো ক্ষমতা গুৰুত্বপূৰ্ণ।


কিন্তু এজন মহান শিক্ষকৰ যোগ্য প্ৰমাণপত্ৰ, অভিজ্ঞতা আৰু বুদ্ধিমত্তাতকৈ বহু বেছি হ'ব লাগে।

এজন মহান শিক্ষকৰ হৃদয়ত কি নিহিত হৈ থাকিব লাগে? নিশ্চয় তেখেত হ'ব লাগে —

দয়ালু : এগৰাকী মহান/ভাল শিক্ষকে ছাত্ৰ-ছাত্ৰী, সহকৰ্মী, অভিভাৱক আৰু তেওঁৰ ওচৰ-চুবুৰীয়াৰ প্ৰতি দয়ালুতা দেখুৱাব লাগে। এজন দয়ালু শিক্ষকৰপৰা ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰে আদৰণি, যত্ন, বিশ্বাস আৰু মৰম।

সহানুভূতিশীল : সহানুভূতি হৈছে আমাৰ আৰু আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা আৰু বিকশিত হ'বলৈ চেষ্টা কৰা এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য কাৰোবাৰ ঠাইত নিজকে ৰাখি তেওঁলোকৰ দৃষ্টিকোণৰপৰা কথাবোৰ চাবপৰাটোৱে আমাৰ সিদ্ধান্ত আৰু কাৰ্যত শক্তিশালী প্ৰভাৱ পেলাব পাৰে।

ইতিবাচক : এজন ইতিবাচক ব্যক্তি হোৱাটো সহজ কাম নহয়। ইতিবাচক চিন্তাধাৰাৰ শিক্ষক হোৱাটো আৰু কঠিন হৈ পৰে যেতিয়া আমি সদায় অতি সীমিত সমাধানৰ সমস্যাৰ সন্মুখীন হওঁ। কিন্তু কঠিন হ'লে ইতিবাচক হৈ থাকিলে ছাত্ৰ-ছাত্ৰী আৰু আমাৰ চৌপাশৰ সকলোৰে ওপৰত প্ৰচণ্ড ইতিবাচক প্ৰভাৱ পৰিব পাৰে। উজ্জ্বল দিশটোলৈ চাই সদায় যেন কথাবোৰ ভাল কৰাত সহায় কৰে এজন ইতিবাচক চিন্তাধাৰাৰ ব্যক্তিয়ে।



**নিৰ্মাতা/কাৰিকৰঃ** এজন ভাল শিক্ষকে ব্যৱধান দূৰ কৰে আৰু সম্পৰ্ক, বন্ধুত্ব আৰু এটা সম্প্ৰদায় গঢ়ি তোলে। শিক্ষকে সদায় শ্ৰেণী-কোঠাৰ ভিতৰত আৰু বাহিৰত কথাবোৰ ভাল আৰু উন্নত কৰিবলৈ বিচাৰে। এখন ভাল সমাজ গঢ়ি তোলাটো এজন ভাল শিক্ষকে শ্ৰেণীকোঠাত কৰিব বিচৰা আৰু সেইটো সমগ্ৰ বিদ্যালয় আৰু ইয়াৰ সমাজখনলৈ সম্প্ৰসাৰিত কৰে।

**অনুপ্ৰেৰণা দিয়েঃ** সকলোৱে এজন ভাল শিক্ষকৰ ফালে চায় তথা শিক্ষকজনক অনুসৰণ কৰে আৰু এজন ভাল ছাত্ৰ, এজন ভাল মানুহ হ'ব বিচাৰে। এজন ভাল শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা, ধনাত্মকতা আৰু জ্ঞান বিকাশত অনুপ্ৰেৰণা যোগায়।

এজন ভাল শিক্ষকে তেওঁলোকৰ শিক্ষাৰ্থীৰ মাজত আনন্দ জগাই তুলিব পাৰে আৰু শিক্ষাৰ্থীৰ মনত আজীৱন স্থায়ী ইতিবাচক ছাপ ৰাখিব পাৰে।

~ ধ্ৰুৱজ্যোতি কলিতা
বি.এড. দ্বিতীয় বৰ্ষ



# শিশু দিৱস – এটি আশা

"The children of today will make the India of tomorrow. The way we bring them up will determine the future of the country."

—— Pandit Jawaharlal Nehru

"Investing in our future means investing in our children."

"আমাৰ ভৱিষ্যতত বিনিয়োগ কৰাৰ অৰ্থ হৈছে আমাৰ সন্তানৰ বাবে বিনিয়োগ কৰা।" – এই আশাৰেই গোটেই বিশ্বতে এইবাৰৰ অৰ্থাৎ, ২০২৩ চনৰ শিশুদিৱস পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ ঘোষণা অনুযায়ী ১৯৫৯ পৰা ২০ নৱেম্বৰৰ দিনটোত প্ৰতি বছৰে গোটেই বিশ্বত আন্তঃৰাষ্ট্ৰীয় শিশু দিৱস পালন কৰি আহিছে। আমাৰ দেশ ভাৰতবৰ্ষতো ২০ নৱেম্বৰতে এই দিৱস পালন কৰা হৈছিল যদিও পিছলৈ দেশখনৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী শিশুপ্ৰেমী পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পিছত ১৯৬৪ চনৰ পৰা ১৪ নৱেম্বৰ তাৰিখটোহে শিশুদিৱস হিচাপে পালন কৰা হয়। শিশুসকলৰ প্ৰতি থকা মৰম, ভাল পোৱা আৰু শিশুসকল সৰ্বাংগীন উৎকৰ্ষ সাধনৰ চিন্তা তেখেতৰ এক লক্ষ্য হোৱা বাবে ১৯৬৪ চনৰ পৰা তেখেতৰ গুণমুগ্ধসকলে শিশুদিৱসটো ২০ নৱেম্বৰৰ সলনি ১৪ নৱেম্বৰতে উদযাপন কৰিবলৈ লয়।

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী আছিল পণ্ডিত জৱাহৰলাল নেহৰু। শিশুপ্ৰীতি আছিল তেখেতৰ মনৰ সৰলতা। সেয়ে হয়তো তেখেতে যতে গৈছিল তাতেই শিশুসকলক আপোন কৰি লব পাৰিছিল। তেখেতৰ পাণ্ডিত্যপূৰ্ণ লিখনি সমূহ এটি অহা প্ৰজন্মৰ বাবে এক প্ৰেৰণাদায়ক সম্বল। তেখেতৰ

“ডিচকভাৰী অৱ ইণ্ডিয়া” আৰু “লেটাৰ্চ ফ্ৰম এ ফাদাৰ টু হিজ ডটাৰ” কিতাপ দুখন শিশুসকলৰ বাবে মূল্যবান হৈছিল।

দেশৰ প্ৰতিগৰাকী শিশুৱেই এক সুন্দৰ মনৰ, সুস্থ দেহৰ অধিকাৰী হৈ সুশিক্ষাৰে শিক্ষিত হৈ হ'লেহে এই দিৱস উদযাপনৰ উদ্দেশ্য সফল হ'ব। শিশুসকলৰ সুকোমল মনৰ অনুভৱবোৰক সৃষ্টিশীল কামৰ যোগে মাজেৰে নতুনত্ব প্ৰদান কৰাত দেশৰ প্ৰত্যেকেই গুৰুত্ব দিব লাগিব। তেওঁলোকৰ নৱ নৱ উদ্ভাৱন, নৱ নৱ সৃষ্টিত সহায়ৰ হাত আগবঢ়াই স্বীকৃতি প্ৰদান কৰি আমি সকলোৱে তেওঁলোকক আগুৱাই লৈ যাব লাগিব।

সমাজৰ ধৰণীস্বৰূপ প্ৰতিগৰাকী শিশুৰ মাজত বিশ্বভ্ৰাতৃত্ববোধ জগাই তোলা, শিক্ষাগত প্ৰাপ্য অধিকাৰৰ বিষয়ে সজাগ কৰা, সুস্বাস্থ্যৰ নিৰাপত্তা প্ৰদান কৰা দিশবোৰ এই দিৱস উদযাপনৰ লক্ষ্য হোৱা উচিত। বস্তুত কেৱল এটা দিন উলহ মালহেৰে শিশুসকলক লৈ সভা-সমিতি অনুষ্ঠিত কৰি উদযাপন কৰিলেই নহয়; প্ৰতিটো দিনেই হ'ব লাগিব শিশুৰ বাবে এক আনন্দমুখৰ উছাহৰ দিন। প্ৰতি দিনতেই তেওঁলোকৰ জীৱনৰ নিৰাপত্তাত গুৰুত্ব দিব লাগিব। শিশু অপহৰণ, শিশু শ্ৰমিক নিয়োগ, কন্যা শিশুক অৱহেলা কৰা আদি কাৰ্য্য ৰোধ কৰিব পাৰিব লাগিব। ইণ্টাৰনেট, মবাইলৰ যুগত শিশুসকলে সেইবোৰৰ বেয়া দিশ আৰু অসৎ সংগৰ পৰা যাতে আঁতৰত থাকে সেই কামত প্ৰতিগৰাকী অভিভাৱক, প্ৰতিজন দেশ সচেতন হ'ব লাগিব। প্ৰতিজন শিশুৱে শাৰীৰিক, মানসিক বৌদ্ধিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হোৱাটো নিশ্চিত হ'লেহে আজিৰ শিশু ভৱিষ্যতে দেশৰ সুনাগৰিক আৰু মানৱ সম্পদ হ'ব পাৰিব। লগতে সৎ কৰ্মেৰে স্ব-নিৰ্ভৰশীল আৰু জ্ঞানৰ অধিকাৰী হ'ব পাৰিব।

আহক আমি সকলোৱে, আমি বাস কৰা সমাজখনৰ দেশখন তথা পৃথিৱীখন সৰ্বাংগসুন্দৰ শান্তিৰ আৱাসভূমি ৰূপে গঢ়ি তোলো। এদিন নহয়, প্ৰতিদিনেই বিশ্ব শিশুসমাৰোহ উদযাপন হওঁক, প্ৰতিটো শিশুৱেই ওপাহ সুকোমল গোলাপ হৈ ফুলি উঠক।

ডেভিদ মেধি
বি.এড প্ৰশিক্ষাৰ্থী, দ্বিতীয় বৰ্ষ।
শাখা → 'খ'
ৰোল নং → ৫২



## Lessons From APJ Abdul Kalam For Students

"It is very easy to defeat someone. But it is very hard to win someone", said the man who won the hearts of the entire nation with his simplicity and humble aura. He is none other than our very own Missile Man Dr. A.P.J. Abdul Kalam.

Avul Pakir Jainulabedin Abdul Kalam, or APJ Abdul Kalam, as is he fondly known, while we miss his alluring presence, we can always continue to take lessons from his inspiring journey.

Some life lessons for us from Abdul Kalam's story:

- Plan, Prepare, Proceed.

Once we have set a goal, whether it is to score a certain percentage, rank higher in our class or clear an examination in the first attempt, always make a plan.

The next step is to prepare ourselves as per the plan. And once you are ready with that strong intention, nothing can stop you.

As the author of the "Wings of Fire" writes – "Desire, when it stems from the heart and spirit, when it is pure and intense, possesses awesome electromagnetic energy."

- Have A Clear Vision.

We know what we want to become. But do we have a process envisioned in our minds? If not, then we most certainly must. Our dream must not look like a blurry vision on a rainy day outside our window but crystal clear.

Once we have clarity over the process, we have a set course of actions to take. We create a strategy and work towards it. We know how many miles we have covered and how many more are still left to achieve our dream.

Dr. Kalam says, "A dream is not that which you see while sleeping. It is something that doesnot let you sleep."

- If you fail, never give up.

Have we ever been called to the first bench by our teacher for sitting in the last bench and dreaming away? Dr. Kalam would have taken our side, had he been in our class.

Dr. Kalam said, "The best brains of the nation may be found on the last benches of the classroom." He maintained all students have the capability to transform India into a developed nation, no matter what your current circumstances are. We can always choose to believe in our capabilities, work on it and allow it to lead us to success.

- Think different, Think creative.

All leaders have reached where they are because They dared to Think different. They nurtured their idea and created

a unique place for themselves eventually.

Dr. Kalam encouraged young people to think and act differently. "My message, especially to young people is to have the courage to think differently, courage to invent, to travel the unexplored path, courage to discover the impossible and to conquer the problems and succeed," he said.

- Work Hard.

Luck is an unreliable friend. It is hardwork that will always stick by and help us reach our goal. President Kalam emphasized that there is no substitute to hard work. It was his sheer hardwork, dedication to his goal and passion to make it that led him to become the Missile Man of India despite his humble background.

Truly, "If you want to shine like the sun, first learn to burn like the sun."

- Be Humble.

Probably the most important lesson Kalam taught everyone was to be humble. Everyone who met and interacted with him acknowledged that Dr. Kalam's humility stood out despite his success and stature. His simplicity and modesty are what make him The People's President.

Dr. APJ Abdul Kalam was known for his fondness for students. That is why his birthday is celebrated as World Students' Day.

-Collected by
Sunam Saha
B.Ed. 1st year.

* References:
www.vedantu.com
"Wings of Fire."

# Youth Power

Youth have a key role in shaping the future of a nation. Any country can ride on a high growth trajectory if it is blessed with higher number of youths on the demographic chart. But sometimes the youth may also cause major damage to the reputation of a nation and became the biggest threats to a country's security if they get misguided. Young people are energetic, ambitious, have new ideas etc. if these are applied by them in a negative way then it can result in chaos and conflict.

To develop the young minds in the right direction from the very begining of period, the parents should take an important role. The parents should teach them good wins over evil. According to gandhi, "There is no school equal to decent home and no teacher equal to honest virtuous parents." Everyone in this 21st century is trying to be top in every competition. But it is important to become a good human first.

Youth power is a compaign to achieve the global goals to curtail poverty, inequality and climate change. The compaign, supports young people and their collective power to turn these promises into reality.

Young people have the knowledge, skills and confidence to take action which influences leaders. Young people are connected in a global network with the solidarity, support and power of collective action to influence a nation. The government should execute systematic solution to engage our youths in high-yielding growth sectors of the economy. This is a great way to mould today's youth by engaging them in right way.

The most important duty of today's youth is that they must inculcate good habits and conducts from their parents

and elders. They should take the honest path so that a nation can see a best way of development. "It is the coward and the fool who says, 'This is fate"— so says the Sanskrit proverb. But it is the strong man who stand up and says, "I will make my fate"." It is people who are getting old who talk of fate. Young men generally do not come to astrology."—— Swami Vivekanand.

Monami Roy
B.Ed 1st Year



# Elementary Education And Women In Assam : Challenges And Prospects.

Education of women is an important aspect for boosting the social and economical development of the country. Advancement of women education, particularly at elementary level is to bring definite benefits for the society in the form of social progress and reformation. Education is a powerful tool for empowerment and it helps women gain knowledge, skills and confidence. With elementary education, women can develop critical thinking skills, become informed decision makers and assert their rights. Education provides women with the knowledge and skills necessary to participate fully in their communities and societies and to pursue their personal and professional goals. Elementary education can open up economic opportunities for women. It provides them with basic literacy and numeracy skills which are crucial for accessing employment and income generating activities. Hence, education can be considered as a powerful tool which provides women with the skills and knowledge necessary to access economic opportunities, make informed choices and create a better future for themselves and their families.

In the North Eastern concern of India, Assam has a diverse population including various ethnic groups. Historically education for girls has been neglected. After

independence, the government of Assam has taken several initiatives to promote education among girls and women in the state. The Sarva Shiksha Abhiyan (SSA) program is one of the major initiatives taken by the government of Assam to provide universal elementary education to all children in the state. The program has been successful in increasing the enrollment of girls in schools and improving the overall quality of education. In addition to the SSA program, the government of Assam has also implemented several other schemes to promote education among women. These schemes include the Kasturba Gandhi Balika Vidyalaya (KGBV) scheme, which aims to provide education for girls from disadvantaged backgrounds and the national scheme of Incentive to Girls for Secondary Education which provides financial incentives to encourage girls to complete their secondary education. Furthermore, there are some non-governmental organizations (NGOs) and community based organizations (CBOs) working to promote education among girls and women in Assam. These organizations provide support in terms of scholarships, coaching and counselling to help girls overcome the barriers of education.

Despite these efforts, women and girls continue to face multiple barriers based on gender and its interactions with other factors, such as age, ethnicity, poverty and disabilities, in the equal enjoyment of the right to quality education. These challenges include poverty, early marriage, social and cultural norms and inadequate infrastructure. Moreover, gender discrimination is a common practice in

Assam where men are given more importance than women. Therefore, women are not able to receive the same level of education as men. Lastly, government policies have not been fully implemented to provide education among women. The central and state governments have launched various schemes and programs to promote female education, but poor implementation and lack of adequate resources deprive many girls from getting an education.

So, with the continued support from the government and civil society there is hope for the further development of elementary education for women in Assam. To achieve this goal, it requires a multi-faceted approach involving infrastructure improvement, teacher training, awareness campaigns and community engagement. By promoting education among women we can empower them, improve their economic and social status and pave the way for a more equitable and prosperous society.

— Bandana Mahanta
B.Ed. 1st Year.



# The Mythical Origin Of Kamrupa

Assam is a state of Northeastern India which is known for its tea industry and biodiversity.

In early times Assam was known as Pragjyotisha and Kamrupa in later times. According to mythology, the origin of the name Kamrupa is linked to the story of Devi Sati, wife of lord Shiva. She met her demise due to her father Daksha's disrespectful treatment of her husband, Shiva. Overwhelmed by grief, Shiva carried Sati's lifeless body and roamed the world. To end lord Shiva's sorrowful journey, lord Vishnu intervened and used his discus to dismember the body, which fell into various locations. One such piece descended upon the Nilachal hills sanctifying the place as Kamakhya.

After the remains of Sati fell on the Nilachal Hills, Shiva engaged in severe penance there. The gods feared that the world would be destroyed by the penance of Shiva and after discussion among them, they sent Kamdeva, the god of love, to the Nilachal Hills to break the penance of Shiva. Kamdeva was accompanied by his wife Rati Devi. Kamdeva was able to break Shiva's penance. But Shiva got angry and burnt Kamdeva with his third eye. After the death of Kamdeva, his wife Ratidevi pleaded with Shiva and he gave life back to Kamdeva. From that moment onwards, the land came to be known as Kamrupa.

– Himashree Mazumdar

B. Ed. 2nd year.

# গল্পৰ শিতান

"গল্প সাহিত্যৰ বিশেষ শিল্পকৃতি যত পোৱা যায় ক্ষণিকৰ বুকুত চিৰন্তনৰ ব্যঞ্জনা আৰু বিন্দুৰ বুকুত সিন্ধুৰ চেতনা।"

# সন্ধ্যাৰাগ

জীৱনৰ আদিম বেলাত যেতিয়া অৰ্ণৱ চৌধুৰীয়ে নীৰাৰ হাতখন খামুচি ধৰিছিল তেতিয়া বহু কথাই শুনিব লগাত পৰিছিল।

উঃ, কিমান যন্ত্ৰণাকাতৰ আছিল সেই শব্দবোৰ, য'ত কুৰুকি কুৰুকি বুকু ভেদি যোৱাকৈ মানুহৰ তীক্ষ্ণ কথাবোৰে বুকু ফালি ক্ষত-বিক্ষত কৰি তুলিছিল। অকলে অৰ্ণৱেই সহিছিল নে সেইবোৰ নীৰাই জানো শুনা নাছিল ঈশ্বৰৰ নাম লোৱা বয়সত অৰ্ণৱক জীৱনসংগী কৰি লোৱাৰ বাবে।



অৰ্ণৱ চৌধুৰী, এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ী হোৱাৰ লগতে দুগৰাকী সুযোগ্য পুত্ৰ সন্তানৰ পিতৃ আৰু এগৰাকী অধ্যাপিকাৰ জীৱনসংগী। জীৱনৰ আগবেলাত একোৰেই অভাৱ নাছিল, কিন্তু পিছলৈ সকলো নিৰস হৈ পৰিছিল। পত্নীৰ অকাল মৃত্যুৱে তেওঁক নিসংগ কৰি তুলিছিল। কৰ্তব্যৰ খাতিৰত বিদেশত কৰ্মৰত দুই সন্তানৰ সময়ৰ খুব অভাৱ হৈছিল!

হয়বই, প্ৰেক্তিকেল লাইফ।

আজিৰ সময়ত কোনেও কাকো ৰব নোৱাৰে, ৰৈ থাকিলে হয়তো ইমানেই পিছ পৰি ৰব যে কেতিয়াও প্ৰতিযোগিতাৰ দৌৰখনত ভাগেই ল'ব নোৱাৰিব।


অৰ্ণৱ চৌধুৰীয়ে মাজে মাজে পুথিভঁৰালত সোমাইছিল, কিছু কিতাপ পঢ়িছিল, সময় কটাইছিল। এদিন তেনে এটা পৰতে নীৰাৰ লগত সাক্ষাৎ হৈছিল। নীৰা ভট্টাচাৰ্য, অৰ্ণৱৰ কলেজৰ দিনতেই ভাললগা ছোৱালীজনী।

পিছে সময়, পৰিস্থিতিৰ বাবেই সেই অনুভৱ সামৰি অন্য জীৱনৰ আৰম্ভণি মেলিছিল দুয়ো।

সময় ৰৈ নাথাকে,
সময়ৰ পাতিত দুয়ো ব্যক্তি হৈ হয়তো অচিনাকি নাইবা কেৱল মুখৰ চিনাকি হৈ ৰৈছিল।

অত বছৰৰ পিছত অৰ্ণৱে নীৰাক দেখি হয়তো আচৰিত হৈছিল, লগতে বুকুৰ নিঃসংগতাত যেন পুনৰাই সজীৱতাই স্পৰ্শ কৰিছিল আহি। নীৰাৰ কোনোৱেই নাছিল, জীৱনৰ আপচোৰাত হয়তো অনুভৱ কৰা নাছিল কোনো সংগীৰ প্ৰয়োজন, কিন্তু পিছলৈ মুখৰ মাত এষাৰ দিবলৈও যেন মানুহ বিচাৰি ফুৰিছিল। সকলো মানুহৰে বুকুত প্ৰাচীন চহৰ এখনে অহৰহ ক্ৰিয়া কৰে, সেই প্ৰাচীনতাত কোনেও জুমি নাচায়, কিন্তু সেই প্ৰাচীনতাত সেউজীয়াৰ প্ৰলেপ দিবলৈ চেষ্টা কৰিলে হয়তো জুমি চাবলৈ আগৰ নাথাকে কাৰো!
নীৰাই নিঃসংগতাক ভেদ কৰিবলৈ অৰ্ণৱৰ হাতখন স্পৰ্শ কৰিছিল, আৰু অৰ্ণৱে খামুচি ধৰিছিল হাতখন একেবাৰেই, এৰি নিদিয়াৰ প্ৰতিশ্ৰুতিৰে।

মানুহে মানুহ বিচাৰে, সকলো মুহূৰ্তত সকলো পৰিস্থিতিত।
মানুহে স্পৰ্শ বিচাৰে, যি স্পৰ্শত জী উঠে জীৱন আকৌ এবাৰলৈ।
জীৱনৰ সন্ধ্যাবেলাত সংগীতৰ ৰাগে চুই গৈছিল দুয়োকে, পুনৰাই!
আকৌ এবাৰ গীতৰ কলিয়ে যেন গুণগুনাই উঠিছিল নীৰৱে, লাহে লাহে!



হিমাশ্ৰী কাশ্যপ
বি.এড. দ্বিতীয় বৰ্ষ

# কেঁকুৰি

অফিচৰ পৰা আহিয়েই পাৰ্টো তিয়াই বিচনাখনত নিজকে এৰি দিয়াৰ লগে লগে ভাগৰে হেঁচা মাৰি ধৰিলে। ঘড়ীটোলৈ চালো। অমিয়া এতিয়া স্কুলৰ পৰা আহি পোৱাৰ সময় হোৱা নাই। অমিয়া! মোৰ সাহস; মই জীয়াই থকাৰ সঞ্জীৱনী মন্ত্ৰ! মোৰ অন্ধকাৰ জীৱন পোহৰাই ৰখা এগছি সৌম্য বন্তি; যাৰ আধাৰত মোৰ শেষ প্ৰহৰে বাগৰ সলাই এটি জীপাল ৰাতিপুৱাৰ সপোন দেখে। অমিয়াক সেই অলস দুপৰীয়াটোত পাহাৰ দাঁতিত লগ নোপোৱা হলে আজি এই পৃথিৱীত মোৰ অস্তিত্ব থাকিলহেঁতেননে নাই সেয়া সন্দেহাতীত। অমিয়াৰ কথা মনলৈ অহাৰ লগে লগে প্ৰশান্তিৰ এছাটিৰ সৈতে চকুৰে মুখে হাঁহি এটা বিয়পি পৰিল।



স্নাতকোত্তৰ শেষবৰ্ষৰ ষাণ্মাষিকৰ পৰীক্ষা দিয়েই মা-দেউতাৰ হাজাৰ বাধা-বুজনিকো আওকাণ কৰি বহুবছৰীয়া প্ৰেমৰ সম্পৰ্কৰ অন্তত মই বিদমৰ সৈতে যুগ্মজীৱনৰ পাতনি মেলিছিলো। প্ৰথম অৱস্থাত আমাৰ বৈবাহিক জীৱনত সামৰিব নোৱাৰাকৈ সুখে ভিৰ কৰিছিল। স্বামী, শাহু-শহুৰৰ মৰমে মোক অনবৰতে মেৰিয়াই ৰাখিছিল কিন্তু সেই সুখৰ পৰ্দা আঁতৰাই আচ্ছন্ন অন্ধকাৰ এখনি যে মোলৈ ৰৈ আছিল, সেয়া মোৰ সপোনৰো অগোচৰ আছিল। বিয়াৰ পাঁচ বছৰ পিছতো সন্তানসুখ দিব নোৱাৰাৰ অজুহাতত বিদমৰ অফিচৰ সহকৰ্মীৰ সৈতে অবৈধ সম্পৰ্ক, শাহুমাৰ দ্বিতীয় বিবাহৰ বাবে দিয়া হেঁচা আদিয়ে পৰল হৈ মোৰ শাৰীৰিক, মানসিক জগত ক্ৰমাৎ অৱশ কৰি তুলিলে। এই সকলোবোৰৰ মাজত নিজকে চম্ভালি লোৱাৰ আগতেই জানুৱাৰী মাহৰ অলস দুপৰীয়া এটাত নিৰ্বিকাৰভাৱে বিদমে মোলৈ ডিভোৰ্চ পেপাৰৰ ফাইলটো আগবঢ়াই দিলে। বিদমবিহীন জীৱন এটা কল্পনা কৰি ক্ষণিকতে গোটি চূৰ-মাৰ হোৱা মনটোক কোনোমতে সামৰি যাৱতীয় চহীকেইটা কৰি সেইখন ঘৰৰ পৰা চিৰদিনৰ বাবে গুচি আহিলো। চৌহদৰ বাহিৰ হৈ উজাই অহা শোকটোক বাধা দিব

সোঁৱাৰি হুকহুকাই কান্দি উঠিলোঁ। ক'লৈ যাম, কি কৰিম ভাবৰ বিপৰীতে জীৱনৰ প্ৰতি তীব্ৰ বিতৃষ্ণাই মোৰ মন-মগজুক মেৰিয়াই ধৰিলে। স্বামীৰ প্ৰতাৰণা, শাহুমাৰ লাঞ্ছনা, মা-দেউতাৰ প্ৰতি কৰা অন্যায়ৰ বোজাৰ ভৰত জৰ্জৰিত হৈ নিজৰ অলক্ষিতেই ওচৰৰ নৈখনৰ ফালে আগবাঢ়িলোঁ। নৈৰ বুকুত সমস্ত দুখ উজাৰি নিজকে সঁপি দিয়াৰ ভাবনাত অৱশ হৈ আগবঢ়া মোৰ মন আৰু শৰীৰক সচকিত কৰি পথৰ দাঁতিত থকা দমটোৰ পৰা কিবা এটাই কান্দি উঠিল। আশ্চৰ্যই আৱৰি ধৰাত ওচৰ পাই তুলি ধৰিলোঁ অকণমানি নৱজাত গুলপীয়া কেঁচুৱা এটি। জাৰত আৰু ভোকত কান্দি উঠা অথচ এই জীৱনৰ জটিলতাৰ সৈতে অপৰিচিত কেঁচুৱাটিৰ নিষ্পাপ মুখখনলৈ চাই জীয়াই থকাৰ নতুন বাসনা এটাই মোৰ মনত গা কৰি উঠিল। কিছুক্ষণ আগলৈ অনুভৱ কৰি থকা অসহনীয় যাতনা নিমিষতে ধূসৰ হৈ পৰিল। সমস্ত আকুলতাৰে কেঁচুৱাকণক বুকুত সামৰি আঁতৰি আহিলোঁ এই সৰু চহৰখনলৈ য'ত আমাৰ অতীত কোনেও নাজানে, জানে মাথোঁ আমি নিজৰ মতে সজাই লোৱা সুখময় বৰ্তমানটো।

অতীতৰ পৃষ্ঠাবোৰ লুটিয়াই থাকি কেতিয়ানো শুই পৰিলোঁ পমকে নাপালোঁ। সন্ধিয়া অমিয়াৰ মাতত হে মোৰ তন্দ্ৰা ভাঙিল। মা মা-কৈ চিঞৰি তাই মোৰ ওচৰলৈ আহি গালত চুমা এটা আঁকি মোক সাবটি ধৰিলে আৰু ময়ো সস্নেহে তাইক বুকুৰ মাজত আলফুলে সামৰি ল'লোঁ। অমিয়া কিম্বা মই; আমি কোনো তাইৰ জন্ম পৰিচয় নাজানো। তথাপিও যে কি এক অদ্ভুত টান! থাকক। কিছুমান কথা নজনাকৈয়ে থাকক। বৈ যাওঁক মাথোঁ আমাৰ সম্পৰ্ক আৰু নিৰ্ভেজাল মৰমখিনি; এটাই আনন্দৰ পৰিপূৰক হৈ!



লিজা আহমেদ
বি.এড প্ৰথম বৰ্ষ

# সংগৃহীত

# তথ্য

# Some Amazing Science Facts:

1. Our planet has more trees compared to stars in the solar system.
2. Water can boil and freeze at the same time.
3. Light takes almost eight minutes to proceed from the sun to earth.
4. Grasshoppers have ears in their bellies.
5. A cockroach has the ability to live for upto one week without its head.
6. Lizards use their tongue to smell.
7. A cloud can be heavy as a million pounds.
8. We can't burp in space.
9. Men suffer from colour blindness more than women.
10. An individual blood cell takes around one minute to create a complete circuit of the body etc.

Source: Internet

Submitted by—
Pompi Choudhury
B.Ed. 2nd year.

## A few interesting trivia about education from around the world


- India houses the largest school in the world, in terms of the number of students located in one school. The city Montessori school in Lucknow has more than 32,000 students.
- Children in Finland begin schooling only at the age of seven. Moreover Finland regularly tops rankings of school systems around the world conducted by the World Economic Forum every year.
- The world's oldest school is 'The King's School' in Canterbury, England, founded in 597 A.D.
- Schools in Chile have the longest duration of summer vacations which start from the middle of December and end in the first week of March.
- Nalanda University in India, which was established in 5A.D. is the oldest university in the world.
- India is the birthplace of Ayurveda, the oldest school of medicine in the world.
- An estimated 59 million children in the world, belonging to the primary school age group, are not actually enrolled in schools.
- Around 12 percent of the world's population is believed to be lacking in functional literacy.

~ Collected by
Karabi Gogoi
B.ed. 2nd year.

# Remember This...

- If your priorities don't get scheduled into your planner, other people's priorities will get put into your planner.
- Those who don't make time for exercise, eventually make time for illness.
- Pain is a teacher and failure is the highway to success.
- The person who tries to do everything ultimately achieves nothing.
- The things you want to remember get forgotten, but all those things you want to forget is remembered.
- The best way to begin is to start becoming a more valuable person. Acquire skills no one else has. Read books no one else is reading. Have thoughts noone else is having. To get more from life, you need to become more in life.
- The basic rule to live a richer, more rewarding life, it is essential that you run in your own race.

Remember to be kind to yourself. Believe in yourself for who you are. Everyone is different and special in their own way. Some find their speciality earlier and for others it may take some time. Just flow with that time and show the world what you are capable of.




— Prerana Nath

B. Ed. 1st year.

# ব্যক্ত-বাণী ঃ

- “শিক্ষানুষ্ঠানত শিকোৱা বিষয়সমূহৰ সমষ্টিয়েই হ'ল পাঠ্যক্ৰম। বহল দৃষ্টি-ভংগী বিদ্যালয়ৰ সম্পূৰ্ণ পৰিৱেশেই পাঠ্যক্ৰম।”

— হলিৰাম ডেকা

- বুদ্ধিৰ দীপ্তি আৰু আবেগৰ লাৱণ্য অৰ্জন কৰাৰ প্ৰধান উপায় হ'ল নিয়মিতভাৱে কিতাপ পঢ়া আৰু চিন্তা শক্তিৰ বিকাশ সাধন কৰা।”

— হোমেন বৰগোহাঞি

- ৰাজনৈতিক দলবোৰে এখন দেশ বা এটা জাতি গঢ়িব পাৰে; কিন্তু তাত প্ৰাণ প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ প্ৰতিষ্ঠা কৰে ৰূপতাত্ত্বিক সিদ্ধ পুৰুষ বা ইয়া বিজয়ী আত্মাৰ গৰাকী শিল্পীয়েহে।

— বিষ্ণুপ্ৰসাদ ৰাভা

- আন্ধাৰক শাওপাত দিবৰ বাবে আমি ইয়ালৈ অহা নাই। সেই আন্ধাৰৰ মাজেদি নিৰাপদে এক সুস্থ ভৱিষ্যতৰ ফালে আমাক বাট দেখুৱাই দিব পৰা চাকি এগছি জ্বলাবৰ বাবেহে আহিছো।


— জ্যোতিপ্ৰসাদ আগৰৱালা

- তুমি নিজে এজন সাধু লোক হোৱা তেতিয়া তুমি নিঃসন্দেহে কব পাৰিবা যে এজন অসৎ লোক পৃথিৱীৰ পৰা কমি গৈছে।

— কাৰ্লাইল

- কৰ্তব্য জ্ঞানে আমাক উদাৰ আৰু মহৎ কৰে, এনাহে অধম।

— সত্যনাথ বৰা



~ সংগ্ৰাহক,
ৰঞ্জিত সান্যাল

